
# শ্ৰমিকৰ গতি

১৯৮৭–৮৮ ইং



চতুৰ্থ শ্ৰেণী কৰ্ম্মচাৰী সন্থা, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ

# শ্ৰমিকৰ গতি

চতুৰ্থ শ্ৰেণী কৰ্ম্মচাৰী সংস্থা

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ

## আলোচনী সম্পাদনা সমিতি

সম্পাদক :—শ্ৰীমদন চন্দ্ৰ ডেকা

সদস্য সকল :—

১। দীনেশ চন্দ্ৰ তালুকদাৰ
২। ভবেন চন্দ্ৰ তালুকদাৰ
৩। অমূল্য চন্দ্ৰ দাস
৫। হৰেন কুমাৰ
৬। গজেন ৰয়
৭। থানেশ্বৰ বৰ্মন

৩য় প্ৰকাশ মে ১৯৮৮

মুদ্ৰক :—ৰিজ'নেল প্ৰিন্টিং প্ৰেছ আনন্দপুৰ ( জাপৰিগোগ )
দিশপুৰ গুৱাহাটী—৭৮১০০৬

# আগকথা

জয় জয়তে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ চতুৰ্থ শ্ৰেনীৰ কৰ্মচাৰী সন্থাৰ সমূহ কৰ্মী বৃন্দলৈ মোৰ হিয়াভৰা ওলগ জনাইছোঁ।

১৯৬৯ চনত চিলঙত চতুৰ্থ শ্ৰেনী কৰ্মচাৰী সন্থাৰ জন্ম হয়। ইয়াৰ আগতে সন্থাৰ স্মৰনিকা প্ৰথম আৰু দ্বিতীয় প্ৰকাশ কৰা হৈছে। এই স্মৰনিকাৰ ও জ্ঞান পত্ৰিকাৰ যোগেদি সন্থাৰ সৰ্ব্বাঙ্গীন বিকাশত বিশেষ ভুমিকা লব বুলি মোৰ বিশ্বাস।

পৰিষদৰ প্ৰস্তাৱ নং ২১ তাং ১৪-৭-৮৫ যোগে ৭২ টা ৰেকৰ্ড চৰতাব আৰু ১১৬ টা দপ্তাৰি পদ মঞ্জুৰৰ কাৰণে পৰিষদৰ বৈঠকত গৈছিল কিন্তু পৰিতাপৰ বিষয় যে উক্ত প্ৰস্তাৱ আজিলৈকে কাৰ্য্যকৰী নহল। ইয়াত সন্থাৰ কিছুমান আৱশ্যকীয় চিঠি প্ৰকাশ কৰা হ'ল।

হে মহান কৰ্মীবৃন্দ আপোনালোকৰ মহান ত্যাগ আৰু অশেষ দুখ কষ্টৰ মাজেদি মহাত্মাগান্ধীৰ আদৰ্শৰে অনুপ্ৰানিত হৈ আমাক এই মহান সংগঠনটি যেনেদৰে পৰিচলিত কৰাত যি সুবিধা আগবঢ়াইছে তাক মই নঃকিন কৰ্মী এজনে কি ভাষাৰে প্ৰকশ কৰিম। মই মাত্ৰ ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো যাতে সকলো কৰ্মীবৃন্দৰ মাজত একতা বোধৰ বন্ধনত একত্ৰিত ভাবে মিলিত হৈ সংগঠনটো চলাই যোৱাত কোনো বাধাৰ সৃষ্টি নহয় যেন।

বন্ধুসকল এষাৰ কথা আছে যে "মাউখে উটিলে গুৰি পৰুৱাৰো মৰন নাই" এই বানীৰ সত্যা সত্য আমাৰ সংগঠনৰ মাজেদি প্ৰকাশ পাই থাকিব বুলি মোৰ দৃঢ় বিশ্বাস। "সংহতি কাৰ্য্যসাধিকা" মন্ত্ৰেৰে দিক্ষিত হৈ আমাৰ সংগঠনটিয়ে অধিক বলিষ্ঠ পদক্ষেপ লৈ আমি আমাৰ প্ৰাপ্য লাভৰ কাৰনে শক্তিশালী হব লাগিব। আমি জাতি, বৰ্ন, ভাষা নিৰ্বিশেষে মিলিত হৈ এক মুখে থিয় হওঁ আহক।

সদৌ শেষত সকলো কৰ্মীবৃন্দৰে মঙ্গল কামনা কৰি মোৰ সামান্য বক্তব্যৰ সামৰণি মাৰিলোঁ।

"জয় আই অসম"
শ্ৰীহৰ্ষ বাহাদুৰ শ্ৰেষ্ঠা
উপদেষ্টা,
তাৰিখ ৪/১/৮৮

## ঃঃ সম্পাদকীয় ঃঃ

আলোচনী এখনৰ সম্পাদনাৰ গুৰু দায়ীত্ব মোৰ ওপৰত ন্যস্ত কৰা হৈছে। মোৰ পক্ষে ই এক জটিল কাম। তথাপিও, যিখিনি পাৰো চেষ্টাৰ ক্ৰূটী কৰা নাই। ভুল ভ্ৰান্তিৰ বিচাৰ আপোনালোকৰ।

মানুহৰ আদিম অৱস্থাত জীয়াই থকাৰ যি তুমুল সংগ্ৰাম সেই সংগ্ৰামৰ মাজেদিয়ে মানুহৰ মনৰ ভাব প্ৰকাশ কৰিব পৰাকৈ মানুহৰ ভাষাৰ সৃষ্টি হৈছিল। মানৱ সমাজৰ বিকাশৰ লগে--লগে সাহিত্যৰো বিকাশ সাধন ক্ৰমাগতভাৱে হৈ আহিছে।

সাহিত্যিক সকলে সদায়ে এখন সুখী সমৃদ্ধিশালী সুন্দৰ সমাজ বিচাৰে। কিন্তু সমাজত সততে বিৰূপ বা বিসঙ্গতিহে দেখা যায়। গোটেই সমাজখনকে খাদ্য যগোৱাৰ বাবে যিসকল লোকে সকলো প্ৰকাৰৰ খাদ্য-শস্য আৰু খাদ্য বস্তুৰ উংপাদন কৰি আহিছে তেওঁলোকৰ বহুতেই আধাপেটি খাই থাকিব লগা হয়, আনকি অনাহাৰেও মৰিব লগা হৈছে। এখন ধুনীয়া ফুলনিত ভাল ভাল ফুলবোৰ চওঁতে তাৰ কেউকাষে পৰি থকা অৱৰ্জনাবোৰ আমৰ চকুত নপৰিবনে? কিন্তু বহুত লেখক আছে কাতি আৰু আঘোন মাহত তেওঁলোকে সোণালী ধাননি পথাৰ-খন ঠিকেই দেখে। কিন্তু কোনে সেই পথাৰখন সোনালী কৰি তুলিলে আৰু সেই সোনালী ধানবোৰেইবা কাৰ ভঁৰাললৈ যাব, সেইটো যেন তেওঁলোকৰ চিন্তাৰ বস্তুই নহয়। বন্ধুসকল, চতুৰ্থ শ্ৰেণীৰ আমাৰ সংস্থাৰ অন্তৰ্ভুক্ত বা আমাৰ সমৰ্থক শ্ৰমিক সকলে অথবা দেশৰ বৃহত্তৰ সংখ্যক খাটিখোৱা শ্ৰমিক কৃষক--মজদুৰ জনগনে সৌন্দৰ্য্যৰ নামত কুলু কুলু শব্দ কৰি পাহাৰৰ পৰা বৈ অহা জুৰিটি দেখিম, কিন্তু জুৰিটিৰ পাৰে-পাৰে থৰি বিচাৰি ঘূৰি ফুৰা অৰ্দ্ধনগ্ন মানুহবোৰক নেদেখিম নে?

আমাৰ সাহিত্য সততে যেন এনে দুঃখকাৰী মানুহৰ কল্যানৰ বাবে উৎসৰ্গিত হয়, তাৰবাবে সজাগ হৈ থকা আজি জৰুৰী কৰ্ত্তব্য হৈ পৰিছে। শ্ৰমজীৱি মানুহৰ চেতনাক উন্নীত কৰি তেওঁলোকক সংগঠিত কৰাৰ দায়ীত্ব আমি নিশ্চয়কৈ এৰাই চলিব নোৱাৰো। আজি বৃহত্তৰ সমাজ মূলতঃ দুই প্ৰধান শিবিৰত ভাগ হৈ গৈছেঃ শোষক আৰু শোষিত আমাৰ সংস্থাৰ জয়যাত্ৰা নিসন্দেহে আৰম্ভ হৈছে এই অগনন শোষিত নিৰ্য্যাতিত বঞ্চিত শ্ৰমিক কৃষকৰ নিশ্চিত জয়ৰ সমদলেৰে/আমাৰ এই পথ নিশ্চিত অথচ কঠোৰ, বিপদসঙ্কুল, নানা ঘাত প্ৰতিঘাত, বিপদ-বিঘিনিৰ। আমি যেন এই সকল নিঃকিনৰ স্বাৰ্থৰ পক্ষত পক্ষপাতিত্ব কৰো এই অৰ্থত আমিও নিৰপেক্ষ হ'ব নোৱাৰো।

ক্ষয় নাই, সংহত শক্তিৰ ভয় নাই।

আলোচনী খন সম্পাদনা কৰাত মোক যিসকল সদাশয় বন্ধুৱে সহায়ৰ হাত আগবঢ়াইছে, ৰিজ'নেল প্ৰিন্টিং প্ৰেছৰ যি সকল কৰ্মীয়ে নেৰা নেপেৰাকৈ লাগি আলোচনীখন ছপাই উলিয়াইছে, এই সুযোগতে, তেখেত সকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

জয়তু চতুৰ্থ শ্ৰেণী কৰ্ম্মচাৰী সন্থা

বিনীত—

শ্ৰীমদন চন্দ্ৰ ডেকা
আলোচনী—সম্পাদক
চতুৰ্থ শ্ৰেনী কৰ্ম্মচাৰী সন্থা নাৰেঙ্গী
গুৱাহাটী—২৬, (অসম)

***



অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ

চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা : ৰেজি : নং—৬৫৯/১৯৬৯

নাৰেঙ্গী, গুৱাহাটী—২৬

নং আঃ ৰাঃ বিঃ পঃ (চতুৰ্থ) ৫।৮৬।৪।২ তাং—৬।১।৮৭

ৰিষয় :—অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিষয়াৰ হেমাহীৰ বাবে লক্ষ লক্ষ টকাৰ ৰাজহুৱা ধনৰ অপচয়।

মহাশয়,

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে বস্তু কিনাৰ আগধন দিয়াৰ ব্যৱস্থা আছে আৰু ইয়াৰ সুবিধাও গ্ৰহণ কৰিছে কিছুমান ৰাজহুৱা আৰু ব্যক্তিগত কোম্পানীয়ে। উদাহৰণস্বৰূপে বিলাতী মাটিৰ কথাকে ধৰা যাওক। এই বিলাতী মাটিৰ বাবে পৰিষদে ১০০ শতাংশ দিয়াৰ নিয়ম আছে আৰু লক্ষ লক্ষ টকাৰ আদেশ পৰিষদৰ বিষয়া সকলে সম্মতি দি আছে। কিন্তু দেখা গৈছে যে তেওঁলোকে এই আগধনৰ বিপৰীতে কিমান বিলাতী মাটি যোগান ধৰোতাৰ পৰা পালে তাৰ কোনো হিচাপ নাৰাখে। ফলস্বৰূপে হেজাৰ হেজাৰ বস্তা বিলাতী মাটি সেই সকল যোগান ধৰোতাৰ পৰা এতিয়াও পাব লগীয়া আছে। উদাহৰণ হিচাবে কেইটামান উল্লেখযোগ্য তথ্য দাঙি ধৰা হ'ল :—

১। বঙাইগাওঁ তাপ বিদ্যুৎ অধীনৰ (ষ্টোৰ এণ্ড পাৰচেজ) কিনা বিভাগ ৩৩ হেজাৰ বস্তা বিলাতী মাটিৰ খেলিমেলি কৰা আমি জানিব পাৰিছো। এই খেলিমেলিৰ বাবে প্ৰধান দায়ী হ'ল, প্ৰথম বিভিন্ন বিলাতী মাটিৰ মালিক আৰু ৰেলৱে বিভাগ, কিন্তু পৰিষদৰ বিষয়াবিলাকে সংশ্লিষ্ট বিষয়াৰ হাত সাবতি বহি আছে। কাৰণ আজিলৈকে ওপৰোক্ত বিলাতী মাটি মালিকৰ পৰা পোৱা নাই।

ওপৰোক্ত ঠিক তেনেকৈ যোৰহাটৰ চিভিল ডিভিজনৰ কথা উল্লেখ কৰিব পাৰি। এই সংমণ্ডলৰ পৰা ১৪ হেজাৰ বেগ বিলাতী মাটি খেলিমেলিৰ উল্লেখ কৰিব পাৰি। ইয়াতো বোলে বিভাগ বেচৰকাৰী পৰিবহন সন্থা আৰু বিলাতী মাটিৰ কাৰখানাৰ হাত আছে। এই ক্ষেত্ৰত সংশ্লিষ্ট বিষয়াৰ হেমাহীৰ বাবে আজিলৈকে উক্ত পৰিমানৰ বিলাতী মাটিৰ বিপৰীতে এটো ক্ষতিপূৰণ পোৱা নাই।

২। চৰ্ত্ত অনুসাৰে উৰিষ্যাৰ হিৰা বিলাতী মাটি নামৰ সন্থাটোৱে ২০ মেট্ৰিকটন বিলাতী মাটি নামৰূপ চিভিল বিভাগক যোগান ধৰা কথা। দিয়াৰ আদেশ নং বিঃ অঃ এঃ আৰঃ বৰগা/২ তাং ২৩-৪-৮৩ ইয়াৰ বাবে মুখ্য অভিযন্তা চিভিল অগ্ৰিম ধন ড্ৰাফট নং টি এল ৩০৫০৯৬ তাং—৭-৯-৮৩ টকা ৩.৮৫১৩'৮৮—শ মেট্ৰিকটন উক্ত অগ্ৰিম ধনৰ লগত ৰেলৱে ৰাহন ভাৰাত উৰিষ্যাৰ পৰা নামৰূপ ৰেলৱে ষ্টেচন ২০০ মেট্ৰিক টন বহন কৰি কলিকতাৰ ওচৰত চালিমাৰ ষ্টেচনত খালাচ কৰিলে ফলস্বৰূপে উক্ত পৰিমাণৰ বিলাতী মাটিৰ চালিমাৰৰ পৰা নামৰূপলৈ স্থল পথেদি বহন কৰা দায়িত্বৰ মেচেচ পি, কে, ঠিকাদাৰি নামৰ সন্থাক দিয়া হল। যাৰ বাবে ১ লক্ষ ৬ হেজাৰ ৪০ টকা ৭১ পইচা পৰিষদৰ কলিকতাত থকা কাৰ্য্যালয়ে পৰিশোধ কৰিলে। আদেশ নং অঃ ৰাঃ বিঃ পঃ/২ তাং—২৭-৬-৮৪, যিহেতু উক্ত পৰিমানৰ খৰচ বিলাতী মাটিৰ মূল্যৰ ভিতৰত চুক্তি ধৰা আছে গতিকে উক্ত টকাখিনি বিলাতী মাটি কোম্পানীক হেচা দি বিলাতী মাটি কাৰখানাৰ পৰা আদায় দাবী কৰিব লাগিছিল। কিন্তু ইয়াৰ কোনো ব্যৱস্থা সংশ্লিষ্ট বিষয়াই নললে। পৰিষদৰ উক্ত টকাখিনি পানীত গ'ল। জাতীয় স্বাৰ্থৰ খাতিৰত উক্ত বিষয়টো ভালদৰে তদন্ত কৰিব লাগে আৰু উক্ত বিষয়াৰ বিচাৰ কৰিব লাগে। ইতি—

আপোনালোকৰ বিশ্বাসী

অমূল্য দাস

সাধাৰণ সম্পাদক

★★★

# স্মৃতি তৰ্পণ



সন্থাৰ সদস্য শ্ৰীঅশোক পাল চৌধুৰীৰ যোৱা ২৯/৩/৮৮ তাৰিখৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি মৃত আত্মাৰ সদ্‌গতিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

শ্ৰীধ্ৰানেশ্বৰ বড়ো

মন্ত্ৰী,
ৰাজহ, পঞ্জীয়ন, ষ্টাম্প,
সাহাৰ্য্য আৰু পুনৰ সংস্থাপন
অসম, দিশপুৰ।

অঃ চঃ নং—এম আৰ/৩৫/৮৮
দিনাংক— ২৯/৪/৮৮

## শুভেচ্ছা ৰাণী

অসম, ৰাজ্যিক বিদ্যুৎ পৰিষদৰ এক অংশ কৰ্মচাৰীয়ে "শ্ৰমিকৰ গতি" নামেৰে আলোচনী এখন প্ৰকাশ কৰিবলৈ লোৱাত সুখী হৈছো। শ্ৰমিক সকলৰ মাজত সাহিত্য চৰ্চাৰ লগতে মিলা-প্ৰীতিৰ বান্ধোন শক্তিশালী কৰাত "শ্ৰমিকৰ গতি'য়ে যথেষ্ট অৰিহনা যোগাব বুলি আশা ৰাখিছো।

সমূহ কৰ্মচাৰী আৰু "শ্ৰমিকৰ গতি"ৰ পাঠক-পাঠিকালৈ শুভেচ্ছা জ্ঞাপন কৰিছো।

( প্ৰাণেশ্বৰ বড়ো )
ৰাজহ মন্ত্ৰী,
২৯/৪/৮৮

শ্ৰীভৃগু কুমাৰ ফুকন, মন্ত্ৰী—
গৃহ, সচিবালয় প্ৰশাসন, কাৰাগাৰ;
মুদ্ৰণ আৰু লেখন সামগ্ৰী,আবকাৰী
পৰ্য্যটন, পাৰপত্ৰ, অসম।

সত্যমেব জয়তে

নং.........................................

দিনাঙ্ক—২১/৪/৮৮

# শুভেচ্ছা বাণী

ক্ষমোৱা তুলাৰ দৰে মন উৰুৱা বতৰত কুলি কেতেকীয়ে ৰজনজনোৱা ৰঙালী
বিহুৰ উপলক্ষে ৰঙ-আনন্দ আৰু নতুন বছৰৰ শুভেচ্ছা জনাই
মোলৈ প্ৰেৰণ কৰা আপোনাৰ শুভাশীষ পাই নথৈ
সুখী হলো। বিনিময়ত আগন্তুক বৰ্ষ
আপোনাৰ বাবেও সুখ-সমৃদ্ধিৰে
উপচি পৰাৰ কামনা
কৰিলো।

(ভৃগু ফুকন)

শ্ৰীদীনেশ চন্দ্ৰ তালুকদাৰ,
সভাপতি,
চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা,
অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ,
নাৰেঙ্গী, গুৱাহাটী।

OFFICE OF THE CHAIRMAN
ASSAM STATE ELECTRICITY BOARD
NARANGI :: GUWAHATI-26

No, ASEB (RF) 29/86/87 Dated Guwahati, the 9th November '87.

## OFFICE ORDER

The Assam State Electricity Board is pleased to order :—

(a) That the existing maximum limit of 180 days on accumulation of earned leave provided in Regulation 13(2) of the ASEB (General Service) Regulation 1960 be enhanced to 240 days.

(b) That the existing ceiling of 180 days for availing the benefit of encasbment of unutilised earned leave shall be increased to 240 days in modification of the provision in this office order No, ASEB/PL/438/78/61 dtd. 14-7-83 and shall cover both retiring as also the deceased employees as hither to.

These will come into force w.e.f. 6-5-87

Sd/- G. C. Bora,
Personnel Manager
Assam State Electricity Board
Narangi, Guwahati-781026

OFFICE OF THE CHAIRMAN
ASSAM STATE ELECTRICITY BOARD
NARANGI :: GUWAHATI-26

No: ASEB/PL/350/79/88 Dated Narangi, the 11th Sept/87

OFFICE MEMORANDUM

In this office O.M. No. ASEB/CA/7/78/14 dtd. 24-5-78 read with O.M. No. ASEB/CA/7/78/192 dtd. 21-5-84, it was laid down that 25% of the posts of typists in the office of the H. O. D. including the offices of the Addl. CEs, LDA-cum-typist Bill clerks, Meter readers in Circle and Divisional offices etc. should be reserved for eligible Grade IV service. Such eligibility should not be only on the question of educational qualification prescribed for the post but a minimum service in the Gr.-IV establishment must have been rendered by such an employee to be treated as a departmental candidate.

To leave no doubt in the matter it is hereby prescribed that a Grade-IV employee to get the benefit of preferential treatment for recruitment as typist in the office of the H.O.D. including Addl. H.O.D. and LDA-cum-typist, Bill Clerk, Meter reader etc. in the Circle and Divisional establishment etc. must have rendered at least 3 (three) years service in the Grade-IV Estt. of the Board on the 1st day of the year of filling up the vacancies to be deemed as departmental candidate.

memorandum.

Sd/- G. C. Bora
Personnel Manager
Assam State Electricity Board
Narangi, Guwahati-26

ASSAM STATE ELECTRICITY BOARD
GRADE—IV UNION.
Established—1969 :: Register No.- 659/1969
Head office—Narangi, Guwahati.
Central Office Bearer.

UNION WILL REMBER FOR THE SERVICES OF :—

| Year. | President. | General Secretary |
|---|---|---|
| 1969-1972 | Sri Dulal Ch. Barua, MLA. | Rampal Sing |
| 1973-75. | Sri Jangali Prasad | A. C. Das 1972 to 1984 |
| 1976 to 1980 | Lakhi Ram Chetri | |
| 1981 to 1984 | Dinesh Ch. Talukdar | Amully Ch. Das |
| | -do- | Gajen Ch. Roy. |
| 1985-1987 | -do- | A. C. Das |

## OFFICE OF THE CHAIRMAN
## ASSAM STATE ELECTRICITY BOARD
## GUWAHATI-26

No. ASEB/PL/126/77/89 Dated Guwahati, the 1st June '86

### OFFICE MEMORANDUM

In partial modification of this Office Memorandum No. ASEB/PL/126/77/50 dtd. 23-5-84, an employee holding the post of Peon on satisfactory completion of 8 years of continuous service is declared eligible for switchover to the scale of pay of Rs. 470-11-558-13-610-15-670/- prescribed for the post of Senior Peon.

Other terms and conditions specified in this Office Order No. ASEB/PL/126/77/37 dtd 20-11-83 remain as it is.

This order takes effect from the date of issue of this office memorandum.

Sd/- G. C. Bora
Personnel Manager
Assam State Electricity Board
Narangi, Guwahati-26

চতুৰ্থ শ্ৰেণী কৰ্ম্মচাৰী সন্থা
অঃ ৰাঃ বিঃ পঃ

## যোৱা ১৯৮৭-৮৮ চনৰ কেন্দ্ৰীয় কাৰ্য্যকৰী সমিতিৰ বিষয় বৰীয়া আৰু সদস্য সকল।

১। উপদেষ্টা—শ্ৰীহৰ্ষ বাহাদুৰ শ্ৰেষ্ঠা
শ্ৰীভাৰত তামুলী ফুকন।

২। সভাপতি—শ্ৰীদীনেশ চন্দ্ৰ তালুকদাৰ।

৩। উপ-সভাপতি—শ্ৰীভৱেশ চন্দ্ৰ তালুকদাৰ।

৪। সাধাৰণ সম্পাদক—শ্ৰীঅমূল্য চন্দ্ৰ দাস।

৫। উপ-সাধাৰন সম্পাদক—শ্ৰীমদন চন্দ্ৰ ডেকা

৬। সম্পাদক—শ্ৰীসৰ্ব্বানন্দ শৰ্ম্মা।

৭। কোষাধ্যক্ষ—শ্ৰীসুৰেন দাস।

৮। সহঃ-কোষাধ্যক্ষ—শ্ৰীকমল চন্দ্ৰ ডেকা।

৯। হিচাব পৰীক্ষক—শ্ৰীগজেন ৰয়

১০। সহ সম্পাদক সকল—সৰ্ব্বশ্ৰীবীৰেন শৰ্ম্মা, নলিনী শইকীয়া, মহন্ত মেধি, দীনেশ বড়া, আৰু অচ্যুত চৌধুৰী।

১১। নামনি অসমৰ সভাপতি—শ্ৰীযোগেন্দ্ৰ কুমাৰ সিংহ।
সম্পাদক—শ্ৰীথানেশ্বৰ বৰ্মন।

১২। উজনি অসমৰ সভাপতি—শ্ৰীপ্ৰতাপ নেওঁগ।
সম্পাদক—শ্ৰী ৰূপিলেশ্বৰ ঝা।

১৩। প্ৰচাৰ সম্পাদক সকল—সৰ্ব্বশ্ৰীমাধৱ শৰ্ম্মা, ভুপেন শৰ্ম্মা, করুনা কান্ত বৰ্মন, উদেশ্বৰ পাৰে, অনন্ত ডেকা।

১৪। সদস্য সকল—সৰ্ব্বশ্ৰীৰামবৰ কাঠাৰ, কনক কলিতা, হেম বড়া, কনক দাস, যোগেন ধুমৰ, হৰেন কুমাৰ, প্ৰফুল্ল চন্দ্ৰ ডেকা, টংকেশ্বৰ তালুকদাৰ, সত্যব্ৰত দে, লক্ষী ৰাম চেত্ৰী, চন্দ্ৰধৰ কলিতা, মন বাহাদুৰ থাপা, হংস ৰাম বৰ্মন, ধৰনী দত্ত ভদ্ৰেশ্বৰ দাস, বাপুৰা কলিতা, দিলীপ দাস, অম্বিকা চৰন কলিতা, সুনীমল দত্ত, হৰমুজ আলী, মহেশ ৰাম থাপুক, তাৰিনী কান্ত শৰ্ম্মা, উদয় নাথ প্ৰধান।

# বিদ্যুৎ পৰিষদৰ ভিতৰ চৰা

শ্ৰীমদন চন্দ্ৰ ডেকা
উপ-সাধাৰণ সম্পাদক

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদত চলি থকা দৈনন্দিন ঘটনা কিছুমানৰ কথা সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনাবলৈ ইচ্ছা কৰিছোঁ।

বিদ্যুৎ পৰিষদত চলি থকা দুৰ্নীতি আৰু স্বজন প্ৰীতিৰ কথা সৰ্বজন বিদিত। বিভিন্ন কাগজে পত্ৰে ইয়াৰ ব্যপক সমালোচনা হোৱাৰ উপৰিও ইয়াৰ বাবে অসম চৰকাৰে শেষত এখন অনুসন্ধান কমিটিয়েই গঠন কৰিবলগীয়া হোৱাত ইয়াৰ সত্যতা প্ৰকট হৈ পৰিছে। বিদ্যুৎ পৰিষদৰ এই ব্যাপক লোকচানৰ অন্তৰালত আছে সাধাৰণ কৰ্মচাৰীৰ পৰা আৰম্ভ কৰি উৰ্দ্ধতন কৰ্মচাৰীলৈ থকা দুৰ্নীতি, স্বজন প্ৰীতি আৰু লালসা। লাখ লাখ টকাৰ সম্পত্তি হয়তো অপব্যয় হৈছে নহয় ব্যক্তিগত স্বাৰ্থত লাগিছে। ন্যায় বিচাৰৰ অভাৱ আজিলৈ ঘটি আছে। এই সকলোবোৰৰ পৰিপ্ৰেক্ষিতত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ হাঁহিয়াতৰ পাত্ৰ হৈছে আৰু নিৰ্দোষী দুৰ্নীতিহীন কৰ্মচাৰী সকলো লজ্জিত হৈছে। এই বিষয়ে অধিক নিলিখি দুই এটা উদাহৰণ দিবলৈ ইচ্ছা কৰিলোঁ।

যোৱা ১৯৮৩ চনত ৰাজ্যিক বিদ্যুৎ পৰিষদৰ কাহিলীপাৰা ৰাজহাৱিক উপ সংমণ্ডলৰ অধীনত থকা অতিথিশালাৰ নিৰাপত্তা ৰক্ষী ( চকিদাৰ ) জনৰ ঘৰৰ সন্মুখতে এই লিখকে ট্ৰাক এখন দেখা পায় ইতিমধ্যে অন্ততঃ দুই লাখ টকাৰ বিভিন্ন সামগ্ৰী বোজাই কৰা হৈছিল। এই অৱস্থাতে ট্ৰাকখন হাতে-লোটে ধৰা হ'ল। নাবেঙ্গীত থকা নিৰাপত্তা ৰক্ষী বিষয়াক ফোন কৰি মাতি অনা হ'ল আৰু গাড়ীখন চমজাই দিয়া হ'ল। নাবেঙ্গীত উক্ত গাড়ীখন খানাতালাচ কৰি দেখা গ'ল যে অতিথিশালাৰ প্ৰায়বোৰ মূল্যৱান বস্তুৱেই সৰকোৱাৰ ব্যৱস্থা কৰা হৈছিল। ইমান গুৰু দোষৰ শাস্তি হিচাবে কৰ্ত্তৃপক্ষই কিন্তু উক্ত চোৰৰ মাত্ৰ দুটা ইনক্ৰিমেণ্ট বন্ধ কৰিয়েই ক্ষান্ত থাকিল। নিলম্বিত কৰিছিল যদিও কিছুদিন পিছতেই পুনঃ চাকৰিত বাহাল ৰাখিলে। এই কথাত সকলো কৰ্মচাৰী তথা ৰাইজ ক্ষুব্ধ হৈছে।

বিদ্যুৎ পৰিষদৰ আন এটি বৈষম্যৰ উদাহৰণ হ'ল নিম্ন বেতনভোগী কৰ্মচাৰী সকলৰ অৱসৰৰ সময়ত পাবলগীয়া টকাৰ ক্ষেত্ৰত যি ক্ষেত্ৰত অৱসৰ পোৱাৰ ৬ মাহ আগতে পাবলগীয়া সম্পুৰ্ণ টকা পোৱাটো যুক্তিসঙ্গত সেই ক্ষেত্ৰত অৱসৰৰ প্ৰায় ১০/১১ বছৰ পিছলৈকে তেওঁলোকে কাৰ্য্যালয়ৰ পৰা টকা উলিয়াবলৈ সক্ষম নহয়। কিছুমানৰ এনেকুৱা অৱস্থাত মৃত্যুৱেই হয়। নিম্নখাপৰ কৰ্মচাৰী বাবেই যে এচাম কৰ্মচাৰী তেওঁলোকক যুগে যুগে এনেকৈ শাস্তি দি আছে ই দেখ দেখ। আমাৰ পেঞ্চন আদিৰ ব্যৱস্থা নথকাকৈ লক্ষ্য ৰাখি অৱসৰ পোৱাৰ লগে লগেই যাতে কৰ্মচাৰীয়ে তেওঁৰ সাঞ্চিত টকাখিনি পায় তাৰ এটা নিৰ্দ্দিষ্ট নীতি নিৰ্দ্ধাৰণ কৰিবলৈ কৰ্ত্তৃপক্ষক টানি অনুৰোধ জনালোঁ। অফিচৰ নামত অফিচাৰ সকলে একোখন গাড়ী লোৱা দেখা যায়। কিন্তু নিজৰ ঘৰুৱা কামতহে এই গাড়ী বিলাক ব্যৱহাৰ কৰা আমাৰ পৰিলক্ষিত হৈছে। গাড়ীৰ ড্ৰাইভাৰক জিৰণি দি অফিচাৰ সকলে চিনেমা চোৱাত, বজাৰ কৰাত, আলহী খোৱান এই গাড়ীৰ সদব্যৱহাৰ কৰে। ইফালে কৰ্মহীন গাড়ী চালক জনৰ চৰজীৰ খেতি কৰাৰ বাহিৰে উপায় নেথাকে। মাথো মাহৰ মূৰত দৰ্মহা কেইটা আনিবলৈহে অফিচলৈ যাবলগীয়া হয়। এই ক্ষেত্ৰত এটা নিয়ম কৰিলে এই মই মতানীৰ অন্ত পৰিব বুলি ভাবো। চৰকাৰী গাড়ী চৰকাৰী কামতহে ব্যৱহাৰ হোৱাটো বাঞ্চনীয়।

বিদ্যুৎ পৰিষদত আৰু এটি খেলিমেলীৰ ব্যৱস্থা হৈছে বিদ্যুৎ বিলৰ ক্ষেত্ৰত। চৰকাৰী তাগিদা পাই এইবাৰ বিল কৰ্মচাৰীয়ে ৰাইজক যি হাৰাশাস্তি কৰিছে ভাবিলে দুখো হয়। মিটাৰ ৰিডাৰ নামৰ এক শ্ৰেণী কৰ্মচাৰীক বিদ্যুৎ বিভাগত নিযুক্তি দিয়া হয়। ৩/৪ বছৰো এওঁলোকে ৰিডিংত মাহে আৰু এবাৰতে দুই/তিনি হাজাৰ টকাৰ বিল দি অথবা তিনি মাহে বিল আদায় দিয়াৰ পিছতো পুনঃ সেই সংখ্যাকে বিলত লিখি দি খেলিমেলীৰ সৃষ্টি কৰিছে। বহুতো গ্ৰাহকক হাৰাশাস্তি কৰিছে। কৰ্ত্তৃপক্ষই এই ক্ষেত্ৰত কঠোৰ হৈ গ্ৰাহকৰ যাতে অসুবিধা নহয় তালৈ লক্ষ্য ৰাখিব লাগে।

বিদ্যুৎ পৰিষদৰ সকলো কাম ঠিকাদাৰক দিয়া হয়। ঠিকাদাৰ বিলাকে নিজ ইচ্ছাত যি কোনো কাম যেই সেই সময়ত সম্পূৰ্ণ কৰাৰ স্বাধীনতা পায়। যোৱা ১৯৮১ চনতে গুৱাহাটীৰ পল্টন বজাৰত থকা পৰিবহন কেন্দ্ৰত এটা তিনি মহলীয়া ঘৰ ১ কৌটি টকাত ঠিকা দিয়া হৈছিল। কিন্তু আজিলৈ ই সম্পূৰ্ণ হৈ নুঠিল। মাথো আৰম্ভহে কৰা হৈছিল বিদ্যুৎ পৰিষদৰ পৰা টকা আদায় কৰিও এই ঠিকাদাৰ বিলাকে কাম সম্পূৰ্ণ নকৰাত স্বাধীনতা পায়। কিন্তু কাৰ আশীৰ্ব্বাদত এনেকুৱা হৈ আছে কোনেও নেজানে। কৌটি কৌটি টকাৰ লোকচান এনেকৈ হৈ থকাটো কোনো নাগৰিকৰ ক্ষেত্ৰতে সহ্যৰ ভিতৰত নহয় নিশ্চয়।

বহুতো বিদ্যুৎ কৰ্মীয়ে গৃহ নিৰ্মাণৰ বাবে আগধন লৈ চৰকাৰী কোৱাৰ্টাৰতে আছে—অথচ নিজৰ গুৱাহাটীত থকা ঘৰ ভাড়ালৈ দিছে। এই প্ৰৱঞ্চক বিলাকক বাহিৰ কৰি নিজ ঘৰত থিতাপি দিয়াব লাগে।

বহুতো শিক্ষিত অসমীয়া যুৱক-যুৱতী বিদ্যুৎ পৰিষদৰ অফিচৰ দুৱাৰে দুৱাৰে ঘুৰি ফুৰে, কিন্তু সাধাৰণ চাকৰিটোও পায় অফিচাৰৰ ভাত ৰন্ধা ল'ৰাটোৱে—লাগে সি নিৰক্ষৰ অনা অসমীয়াই হওঁক এইটো দূৰ কৰিব লাগে।

ভ্ৰমণৰ বাবদ বিদ্যুৎ পৰিষদৰ কৰ্মচাৰী সকলে বছৰে বহু লাখ টকা ফাকি দি আছে। ভুৱা টিকট, ভুৱা পৰিয়াল সদস্য দেখুৱাই এওঁলোকে ৰাজহুৱা ধনৰ এনেকৈ অপচয় কৰি আছে। কৰ্ত্তৃপক্ষ যাতে এই ক্ষেত্ৰত কঠোৰ হয়।

চমুকৈ উল্লেখ কৰা এই সমস্যা সমূহ দূৰ কৰিব নোৱাৰিলে বিদ্যুৎ পৰিষদৰ লোকচান আৰু অপবাদৰ পৰা কেতিয়াও হেৰাই নেপায়। সেয়েহে চৰকাৰ আৰু কৰ্ত্তৃপক্ষই এই ক্ষেত্ৰত বিবেচনা কৰি নীতি নিৰ্দ্ধাৰণৰ দ্বাৰাই এই আসোঁৱাহ সমূহ দূৰ কৰিব বুলি আশা ৰাখিলোঁ। ●

# সম্পাদকীয় প্ৰতিবেদন

## চালেকাটি শাখা


জয় জয়তে সংগ্ৰামী অভিনন্দনেৰে মই সম্পাদকীয় প্ৰতিবেদন পাঠ কৰিবলৈ লৈছো। যোৱা ৮/৭/৮৬ ইং তাৰিখে চালেকাটি শাখাৰ তৃতীয় বাৰ্ষিক অধিবেশনখন প্ৰকল্প (প্ৰমোদ ভৱনত) অনুষ্ঠিত হৈছিল। উক্ত অধিবেশনত সম্পাদকৰ গুৰুদায়ীত্বভাৰ মোৰ ওপৰত দিয়ে। আজি সন্থাৰ চতুৰ্থ বাৰ্ষিক অধিবেশনত সমবেত হৈছো। মই সম্পাদক হিচাবে বিগত বছৰৰ কাম কাজ চলোৱাত কিমান অগ্ৰগতি লাভ কৰিব পাৰিছো, সেইটো আপোনালোকৰ সমালোচনাৰ বিষয় বস্তু। আৰু এই সমালোচনা বা পৰ্য্যালোচনাই ইতিবাচক দৃষ্টিভংগীৰে আমাৰ সন্থাক নিশ্চয় আৰু এক চাপলৈ উন্নীত কৰিব।

বন্ধুসকল বিগত বছৰত আমাৰ সন্থাৰ কাম-কাজৰ খতিয়ান আপোনালোকৰ আগত অবাগত কাৰাৰ উদ্দেশ্যই হৈছে মোৰ এই প্ৰতিবেদনৰ মূখ্য লক্ষ্য। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ নিচিনা এটা বৃহত কাৰিকৰী আৰু বানিজ্যিক অনুষ্ঠানত আমাৰ সংস্থাই বিভিন্ন দাবী লৈ বিগত কালচোৱাত চালাকাটিস্থ কৰ্তৃপক্ষৰ লগত আলাপ আলোচনা মৰ্মে আমাৰ শ্ৰমিকৰ দীৰ্ঘদিনীয়া চাইকেলৰ অগ্ৰীম ধন প্ৰায় শতকৰা ৭৫ ভাগবেই আদায় কৰা হৈছে। আমাৰ প্ৰতিটো দাবীয়েই যিহেতুকে যুক্তিসংগত আছিল। সেয়েহে আলাপ-আলোচনাৰ মাধ্যমেৰে আমাৰ পাবলগীয়া পদোন্নতিৰ মোটা-মুটিভাৱে তলত উল্লেখ কৰা ধৰণে কৃতকাৰ্য্য হৈছোহ'ক। চকিদাৰৰ পৰা Sr, চকিদাৰ ১০ জন। পিওনৰ পৰা L. DA ১১ জন। লগতে অস্থায়ীভাৱে কাম কৰা ৭ জন চকিদাৰৰ নিয়মীয়া কৰাত আমাৰ সন্থাৰ অৰিহণা নিশ্চয় এই প্ৰতিবেদনত উল্লেখ কৰা ভুল নহব।

বন্ধুসকল এইটো স্বীকাৰো যে পৰিষদৰ C.P.F. আৰু G P.F ৰ খেলিমেলীৰ আমাৰ সন্থাৰ সদস্য সকলে বেভিচাৰৰ আসোৱাহ দুৰীকৰণ কৰাত সহায় কৰিছে।

প্ৰিয় সদস্য সকল:—এটা সংগঠণ শক্তিশালী কৰি আনিব হলে প্ৰতিজন সদস্যৰ পৰা আন্তৰিক সহায়-সহযোগ নহলে সম্ভৱ হৈ নুঠে। সেয়েহে প্ৰতিজন সদস্যলৈ মোৰ অনুৰোধ যাতে আগতঃদিনবোৰত তেখেত সকলে নিজকে অধিক সক্ৰিয় কৰি সংগঠনত 'সক্ৰিয়' কৰাত সহায় কৰে যেন। সদৌ শেষত বিগত কালচোৱাত অনিচ্ছাকৃত ভুলভ্ৰান্তি থাকিলে নিশ্চয় ক্ষমা কৰে যেন।

বৈপ্লৱিক অভিনন্দনেৰে
শ্ৰীকৰুণা বৰ্মন
শাখা সম্পাদক, চালাকাটি শাখা



**বহি থকা (বাওঁ ফালৰ পৰা) প্ৰথম শাৰী** সৰ্ব্বশ্ৰী ধৰ্মেশ্বৰ দাস, কোষাধ্যক্ষ, নাৰেঙ্গী শাখা, কেশব নাথ, কাৰ্য্যকৰী সদস্য, হংস বৰ্মন, কাৰ্য্যকৰী সদস্য, লুকু কলিতা, শাখা সম্পাদক, নাৰেঙ্গী শাখা।

**বহি থকা (বাওঁফালৰ পৰা) মাজৰ শাৰী** সৰ্ব্বশ্ৰী দীনেশ বৰা, শাখা সম্পাদক, গহপুৰ, দিলীপ সিং, জোনেল সম্পাদক, মধ্য অসম, ভূপেন শৰ্ম্মা, প্ৰচাৰ সম্পাদক, গজেন চন্দ্ৰ ৰয়, হিচাব পৰীক্ষক, মদন চন্দ্ৰ ডেকা, উপ সাধাৰণ সম্পাদক, কপিলেশ্বৰ ঝা, জোনেল সম্পাদক, উজনি অসম, দীনেশ চন্দ্ৰ তালুকদাৰ, সভাপতি, অমূল্য চন্দ্ৰ দাস, সাধাৰণ সম্পাদক, সৰ্বানন্দ শৰ্ম্মা, সম্পাদক।

**থিয় হৈ থকা (বাওঁফালৰ পৰা) পিছৰ শাৰী** সৰ্ব্বশ্ৰী অনিল মেধি, শাখা সম্পাদক, কাহিলীপাৰা, নৰবাহাদুৰ, সদস্য, কনক কলিতা, সদস্য, সুৰেন চন্দ্ৰ দাস, কোষাধ্যক্ষ, যোগেন্দ্ৰ সিংহা, নামনি অসম সভাপতি, মাধব ভৰালী, বৃহত্তৰ গুৱাহাটী সভাপতি, গণী ৰাম যোশী, সদস্য আৰু অৰুন দাস, সদস্য।

# শ্ৰমিকৰ গান

শ্ৰীকামিনী দাস ।
উলুবাৰী

আমি শ্ৰমিক আমি কৰ্মী আমি ভাই ভাই
শ্ৰম কৰি কৰি ঘাম পেলাই
আজৰীৰ সময় নাই
শ্ৰম —

নাই সৰু বৰ কৰ্মত আমাৰ
তোৰো যে আছে সম অধিকাৰ
কৰ সচা অঙ্গীকাৰ
শ্ৰম কৰি কৰি ঘাম পেলাই

বিশ্বৰ শ্ৰমিক এক গোট হোৱা
সত্য শ্ৰমিকৰ পৰিচয় দিয়া
ঐক্য মন্ত্ৰ লৈ বিজয় হোৱা
শ্ৰম কৰি কৰি ঘাম পেলাই

নচলিব শোষণৰ চোকা তৰোৱাল
আমিও দিব পাৰো তাৰ প্ৰতিকাৰ
আমি সীমান্ত প্ৰহৰী দাৰ
শ্ৰম কৰি কৰি ঘাম পেলাই

ঐক্যবদ্ধভাৱে থিয় হম একেলগে
দুৰ্নীতি দিম ওফৰায়
আমি যামে আগুৱাই
শ্ৰম কৰি কৰি ঘাম পেলাই

ৰঙা তেজৰ প্ৰতীক আমাৰ
গুলি বিদ্ধ সেই অৱলাৰ
মনত পেলোৱা সেই কথা সিদিনাৰ
শ্ৰম কৰি কৰি ঘাম পেলাই

হে মোৰ বিপ্লৱী সেনানী ভাই
সকলোৱে কোৱা শপত খাই
আমাৰো চৰ্ত্ত আছে জীয়াই থকাৰ
শ্ৰম কৰি কৰি ঘাম পেলাই ।

— × —

# শ্ৰমিকৰ প্ৰতি আহ্বান

শ্ৰীগোপাল চন্দ্ৰ হাীৰা
শাখা সম্পাদক
চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা
আঃ বাঃ খিঃ পঃ চামগুৰি

আহা আগবাঢ়ি
বুকুত সাহস বান্ধি
শ্ৰম কৰিব যাওঁ,
শ্ৰমৰ বিনিময়ত
গঢ়িম আমি
দেশৰ খ্যাতি মান।
আঁহা আগবাঢ়ি
নিজৰ ভৰিত থিয় দি
শ্ৰম দান কৰি
উন্নতিৰ হকে
নিজৰ স্বাৰ্থ ত্যাগি
দেশক গঢ়িবলৈ।
আহা আগবাঢ়ি
নিজ স্বাৰ্থৰ খাতিৰত
ধ্বংসৰ কোৱাল বুকুলৈ
দলিয়াই দিব খোজা
সকলৰ বিৰুদ্ধে
হেঙাৰ দিবলৈ।
আহা আগবাঢ়ি
শ্ৰমিক বন্ধুগন
অতীতৰ মলি-মামৰ
দলিয়াই দি,
শ্ৰমৰ ন্যায্য প্ৰাপ্য
আদায় কৰিবলৈ।

॥ জয় আই অসম ॥

★ ★ ★



# এই জীৱন

শ্ৰীধৰ্মেশ্বৰ দাস
নাৰেঙ্গী।

জন্মিলো পৃথিৱীত
শ্ৰেষ্ঠ মানুহ হৈ
ক'ত ৰঙীণ কল্পনা,
ক'ত আশা মনত লৈ
ভাবিলো প্ৰকৃত মানুহ হৈ
দেশৰ কৰিম উন্নতি।
জীৱনৰ মাজ ভাগতে,
লাগি গ'ল খেলি-মেলি।
ধ্বংস হ'ল কল্পনা
অথলে গ'ল মনৰ আশা,
অসাৰ্থক হ'ল মোৰ
মানৱ জীৱন।

+ +

# বুধিৰামৰ সুখ—

শ্ৰীভবেন তালুকদাৰ
উপ-সভাপতি
চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা
নাৰেঙ্গী।

কণ জুনু ওচৰ চাপি আহা
কওঁ এটা সজাৰ সাধু
সচা কথা এইটো জানে সকলোৱে
নহয় ভেলেকী যাদু
বেতনি গাৱঁৰ বুধিৰাম এটা
অতি অঘাইটং চোৰ
লিখা পঢ়া সি সমূলি নেজানে
বয়সো পৰিলে ওৰ।
বয়সত পঞ্চাশ নহলেও তাৰ
দেখাত পঞ্চাশ যেন।
গাৰ কিল খাই জেলত থাকোতে
হল জেং খৰি যেন।
জেল খাই আহি মনতে ভাবিলে
প্ৰতিজ্ঞা কৰিলো ঘোৰ
আজিৰ পৰা আৰু এনে কাম নকৰো
নষ্ট নকৰো জীৱন মোৰ।
গাৱঁতে আছিলে প্ৰাপ্তবয়স্কৰ
এখনি বিদ্যালয়।
দেখিলো নিৰক্ষৰ সকলে পঢ়ি
তাতে স্বাক্ষৰ হয়।
পঢ়িব নজনা বুধিৰাম চোৰে
তাতেই লগালে নাম
ছমাহৰ ভিতৰত পঢ়িব পৰা হৈ
গাৱঁত ৰাখিলে নাম।
কীৰ্ত্তন দশম ঘোষা ৰত্নাৱলী
সংস্কৃতো জনা হ'ল।

— ● —

[ কথাকবিতা ]

# অতীতে আমাক স্বীকৃতি দিব

শ্ৰীতনুকুমাৰ নাথ,
প্ৰাক্তন সম্পাদক,
কাৰ্বিলাংপি শাখা।

"আজি আনন্দতে মুকলি মনেৰে, আমি যেন স্বাধীন ভাৱেৰে, মুক্ত কণ্ঠেৰে আৰু মুক্ত হাতেৰে, গান গাই-গাই জিৰণী লৈ আছিলো আমাৰ জনমভূমিত। আমি হঠাতে গম পালো আমাৰ আইক যেন কোনোবা দুৰ্বৃত্তই খান্ধি বন্দী কৰিব বিচাৰিছে। আমাৰ পঞ্চ ইন্দ্ৰ যেন কঠিন হৈ পৰিল। আমি দৌৰি আহিলো আমাৰ আইৰ কাষলৈ। আমাৰ এই অঙ্গবোৰ একো একোটা লোৰ হাতুৰিত পৰিণত হৈ যেন আমি পৰাধীনতাৰ দুৱাৰত কোবাইছো। আমাৰ এই শব্দবোৰ চাৰিও ফালে চিটিকি গ'ল। তাকে শুনি সৌৱা যেন পাহাৰে ভৈয়ামে থকা আমাৰ ভাতৃবোৰ পাখীলগা কাড়ৰ দৰে নামি আহিছে অগনন জনতা। আৰু কাৰ্বি-মিজো, নগা, বড়ো ভাতৃসকল নামি আহিছে একোডাল যাঠিৰূপে। সকলোৱে যেন তুলি লৈছো আমাৰ হাতত লাচিতৰ হেং ডাং আৰু আমি কব ধৰিছো "লুইতপৰীয়া ডেকা দল, দেশৰ শত্ৰুক আগুৰি ধৰ, বুঢ়া লুইতক ৰাঙলি কৰ" যাঠি আৰু হেং ডাংবোৰ কাৰোবাৰ শোনিতেৰে ৰাঙলি হ'ব, ৰাঙলি হ'ব আমাৰ কৰচবোৰ। লগতে যেন আমাৰ পৰাধীনতাৰ শিকলিৰ দুৱাৰ ভাঙি যাব। তেতিয়া আমাৰ জননীয়ে মুক্তি পাব। তাৰ পিছত নতুন প্ৰভাত বুকুত লৈ অৰুণে অৰুণাচলত আচল পেলাব। আৰু মেঘালয় মেঘবোৰ চপৰা চপৰে আইৰ বুকুত সোণ বোৱাব। সোৱনশিৰিৰ বালি আকৌ সোণালী হ'ব। তেতিয়া আমি স্বাধীন ভাৱেৰে জীয়াই থাকিব পাৰিম, তেতিয়াই যেন আমাক নতুন পুৰুষৰ অতীতে স্বীকৃতি দিব।"

—●—



[ গল্পৰ ভোগজৰাত ]

# দাগি

শ্ৰীঅদ্ভূৎ কুমাৰ চৌধুৰী
শাখা সম্পাদক
চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা
অঃ বাঃ বিঃ পঃ ( প্ৰাঃ বৈঃ ) অফিচ
বিহাবাৰী, গুৱাহাটি-৮

দাদা: আজি প্ৰায় ছয় বছৰ হৈ গ'ল গুৱাহাটী মহানগৰীত থকা। কোনে বুজিব কাৰ কি বেথা। কোনে বুজিব কাৰ কি লেঠা। দাদা: দিব নে? আপোনাৰ মৰমৰ আধা। আজি মোৰ মান, ইজ্জত সকলোবোৰ এই পৃথিবীত বহু দিন আগতে হেৰাই গৈছে। সুন্দৰ পৃথিবীত জন্ম গ্ৰহণ কৰিলো কিন্তু সুন্দৰ জীৱন যাপন কৰিব নোৱাৰিলো। এতিয়া আপোনাক মই লগ পাইছো আৰু ৰাতি পুৱালে আপুনি ইয়াৰ পৰা আতৰি যাব।

—: মিনা এইবোৰ পগালামী তোমাৰ বন্ধ কৰা। মই ইয়ালৈ কিয় আহিছো তুমি জানানে?

—: দাদা: মই জানো। কিন্তু অন্য মানুহতকৈ মই আপোনাক অলপ বেলেগ দেখিছো। আপুনি যদি অনুমতি দিয়ে, তেনেহলে মই আপোনাক দুটামান মোৰ জীৱনৰ কথা কব বিচাৰিছো।

—: কথা, কি কথা কোৱা।

—: মিনাই প্ৰথমে হাঃ হাঃ হাঃ কৰি হাঁহিলে। তাৰ পিচত হুক হুকৈ কান্দি কব ধৰিলে। মোক গুৱাহাটী চহৰৰ প্ৰখ্যাত দাগি বুলি সকলোৱে চিনি পায়। মই কোনো মন্ত্ৰী নহয়। মোৰ ঘৰ তিনিআলিত। মই মা, দেউতাৰ একমাত্ৰ সন্তান। দেউতা আন মানুহৰ ঘৰত চাকৰ আছিল। মাঁয়ে আন মানুহৰ ঘৰত ভুঁই ৰুই কাম কৰি মোক পঢ়াইছিল। লাহে লাহে মই ডাঙৰ হলো, পঢ়ি পঢ়ি দশমান পালো। মাজে মাজে মাঁ আৰু দেউতায়ে মোৰ বিয়াৰ কথা

পাতে। পেটে পেটে মনত বৰ ভাল লাগে। কিন্তু মোৰ এইটোও ভাৱ হয়, দেউতাই ইমান বোৰ টকা কৰ পৰা যোগাৰ কৰি বিয়া দিব। মোক বিয়া দিলে মঁা আৰু ডেউতাই বুঢ়াকালত কেনেকৈ চলিব। কণা ভগৱানে আমাৰ পিনে মূৰ ডাঙি নাচায়। ক'ত দিন অনহাৰে কটাইছো। আমাৰ দৰে মানুহ পৃথিৱীত জন্ম গ্ৰহণ কৰাটো বৰ পাপ।

ভাদৰ মাহৰ বতৰ, আকাশত বিজুলী গাজনী। চাৰিওফালে ঘোৰ আন্ধাৰ, কিন কিন বৰষুণ। হঠাৎ এজন মানুহ আহি খবৰ দিলে। ডেউতাই পথাৰত হাল বাই থাকোতে বজ্ৰ পৰি মৰিল। কিছুমান মানুহে মৰা শটো লৈ আমাৰ ঘৰ পালে। মঁা আৰু মই দৌৰি গৈ দেউতাক সাৱত মাৰি কান্দিবলৈ ধৰিলো। ওচৰ চুবুৰিয়া আহি চোতাল ভৰি পৰিল। আমাক নানা ধৰণে বুজনি দিলে। পিচত গাওঁৰ মানুহবোৰে দেউতাক শ্মশানলৈ লৈ গ'ল। দেউতাৰ জীৱনৰ খেলা ইমানতে শেষ হ'ল।

লাহে লাহে আমাৰ অৱস্থাও বেয়াৰ পিনে ধাল খাবলৈ ধৰিলে। বাৰু যিয়েই নহওঁক মঁাই মোৰ বাবে এজন দৰা নিজে ঠিক কৰিলে। ল'ৰাজন আছিল বিহাৰী। আমাৰ বস্তিৰ মাটি বন্ধক থৈ মোৰ বিয়া পাতি দিলে। মই আনন্দ মনেৰে স্বামীৰ ঘৰলৈ গলো।

এমাহ দুমাহ কৈ আমাৰ বিয়া হোৱাৰ এক বছৰ পাৰ হ'ল। হঠাৎ এদিন খবৰ আহিল মঁাৰ বৰ অসুখ। আমি দৌৰা-দৌৰিকৈ মঁাৰ ঘৰ পালো। কিন্তু দুখৰ কথা মঁাৰ মুখেৰে মোৰ নাত নাপালো। মঁাও চিৰদিনৰ বাবে এই পৃথিবীৰ পৰা বিদায় ললে। তাৰ পিচত আপোন বুলিব থাকিল মাথো স্বামী। দাদাঃ আপোনাৰ টোপনি আহিল নেকি ?

—ঃ নাই মিনা। সঁচাই তোমাৰ কথা শুনি বৰ বেয়া লাগিছে। মোৰ শুনাৰ আৰু........।

—ঃ দাদা ঃ আমাৰ দৰে মানুহৰ কথা শুনাৰ কাৰো সময় নাই। কিন্তু আজি মই এজন দেৱতা পাইছো।

—ঃ মিনা সময় নষ্ট কৰি লাভ নাই। কি কব লগা আছে, তাৰাতাৰি কোৱা।

এদিন হঠাৎ এটা কামৰ বাবে স্বামীয়ে গুৱাহাটীলৈ গুচি আহিল। এদিন দুদিনকৈ এমাহ পাৰ হ'ল। ঘৰলৈ ঘুৰি নাহিল। এদিন মই তেওঁক বিচাৰি গুৱাহাটী মহানগৰীত প্ৰৱেশ কৰিলো। হাজাৰ হাজাৰ মানুহ, গাড়ী মটৰ বিচাৰি বিচাৰি গধূলী হ'ল। মই ৰাতি অনাহাৰে এখন বাৰান্দাত পৰি থাকিলো কিছু সময়ৰ পিচত এজন অচিনাকি মানুহ আহি মোক সুধিলে। বাইদেউ ঃ আপোনাক কববাত দেখা দেখা ভাৱ হয়।

—ঃ মোক

—ঃ হয় আপোনাক। পিছে আপুনি ইয়াত কিয় শুই আছে।

—ঃ মই তেতিয়া সকলোবোৰ কথা তেওঁক বিবৰি কলো।

—ঃ ঠিক আপুনি কোৱাৰ দৰে মই এজন মানুহ দেখিছো।

—ঃ ক'ত দেখিছে আপুনি ?

—ঃ ইয়াৰ পৰা বহুত দুৰ হ'ব।

—ঃ আপুনি যদি বেয়া নেপায়, মোক লৈ যাব নেকি ?

—ঃ বেয়া পোৱাৰ প্ৰশ্ন নাই।

তাৰ পিচত দাদাঃ মানুহ জনে টেক্সী মাতিলে। গাড়ীখন আহি আমাৰ কাযত ৰ'ল। গাড়ীৰ ভিতৰত তিনিজন মানুহ আছিল। এজনে দৰ্জা খুলি দি, মোক বহিব দিলে। মই নিঃসন্দেহে ভিতৰত বহিলো। লগে লগে গাড়ী তীব্ৰ গতিত চলিব ধৰিলে। বিশ মিনিটমান পিছত গৈ এটুকুৰা অতব্য জঙ্গলত গাড়ীখন ৰাখি দিলে। আমি গাড়ীৰ পৰা নামিলো। লগে লগে চাৰিওজনে মোক সাৱত মাৰি ধৰি গাৰ কাপোৰ চিৰি সিহঁতে মোক পাৰে মানে অত্যাচাৰ কৰি পলাই যায়। সিহঁত যোৱাৰ পিচত মই কাপোৰ-কানি পিন্ধি মানুহৰ আশ্ৰয় বিচাৰি গৈ এটা মন্দিৰ পালো। ৰাতি মই তাতেই শুই থাকিলো।

এমাহ দুমাহকৈ মোৰ মন্দিৰত পাচ মাহ অতিবাহিত হৈ গ'ল। মই তাৰ সন্যাসীৰ লগত সহজে মিলি গলো। কিন্তু এদিন ৰাতি প্ৰায় দুই মান বজাত এজন ভদ্ৰলোকে আহি আমাৰ মন্দিৰত প্ৰৱেশ কৰি মোক মাতি আছে। মই সাৰ পাই দেখো এজন মানুহ আৰু লগত এটা বেগ।

—ঃ আপুনি কোন ?

—ঃ মই আপোনাৰ শিষ্য। আপোনাৰ কাৰণে মই গয়াৰ পৰা প্ৰসাদ লৈ আহিছো। যদি আপুনি বেয়া নেপাই অলপ............।

—ঃ মই হাত পাতি লৈ লগে লগে খালো। কিন্তু মূহুৰ্তৰ ভিতৰত মূৰ ঘূৰাই মাটিত বাগৰি পৰিলো।

—ঃ মিনা তাৰ পিচত কি হ'ল।

—ঃ কি কম দাদা ঃ পুৱা মোৰ বুকুৰ ওপৰত নগদ দুই লাখ টকা। মই মন্দিৰৰ মুখ্য বাবাজী জনক দুই লাখ টকা গটাই দিলো। কিন্তু বাবাজীজনে নললে। মোক উপদেশ দিলে আই এই টকাৰে তুমি এটি ৰাইজৰ বাবে ইয়াত ডাঙৰ ঘৰ সজোৱা। যাতে তোমাৰ দৰে মানুহ আহি ইয়াত থাকিব পাৰে। তেতিয়া হলে আমাৰ মন্দিৰৰও উন্নতি হ'ব আৰু আমাৰ সকলোবোৰৰ দামও বাঢ়িব। বাবাজীৰ উপদেশ মতে এই বিল্ডিংটো সজাইছো। যিটো ঘৰৰ ভিতৰত আপুনি আৰু মই আৱদ্ধ হৈ আছো।

—ঃ মুঠতে মই মন্দিৰত এটা ডাঙৰ ব্যৱসায় কৰিব ধৰিলো। আজি মই মন্দিৰত থাকিলেও বহুতে মোক এটা দাগি বুলি জানে। মই বহুতো টকা কৰিলো, বহুতো পাপ কৰিলো। কিন্তু আজিলৈ মই সুখ কি, চিনি নাপালো। এই মন্দিৰত আজি মোৰ ছয় বছৰ কেনেকৈ পাৰ হ'ল গমকে নাপালো। দাদা ঃ আপুনি মোৰ কথা শুনি সকলো পাহৰি গ'ল নেকি ?

—ঃ মিনা আজিলৈ মোৰ হিয়া কোনেও গলাব পৰা নাছিল। আজি মই তোমাৰ পৰা যিটো কাহিনী শুনিলো, মন যায় চিৰ জীৱনৰ বাবে মই তোমাৰ বুকুৰ মাজত সুমাই থাকিম।

—ঃ ছিঃ আপোনাৰ মুখত ত্ৰনে থকাই শোভা নাপায়। মই এজনী দাগি সন্নাসীনী।

—ঃ মিনা তুমি দাগি নহয়। মোৰ বাবে লক্ষী।

—ঃ দাদা : আপুনি মোৰ চকুত পানী ওলোৱা দেখিছে এয়া মোৰ পানী নহয়, মাথো এটি হুমুনীয়া চিৰ জীৱনৰ সুখ নোপোৱাৰ।

মই পাপ নকৰো এয়া মোৰ প্ৰতিজ্ঞা। মন্দিৰত শপত খাই কলো কালিৰ পৰা এই মন্দিৰ ত্যাগ কৰিম।

—: মিনা এয়া তুমি কি কৰিলা।

—: দাদা: মোক এটা সু-পথ লাগে।

—: মিনা মইও শপত খালো ৰাতি পুৱাৰ লগে লগে মই তোমাক এই মন্দিৰতে বিয়া কৰাম।

—: উ:শ প্ৰভু আপুনি মোক এটা উপায় দিয়ক।

—: মিনা সৌ চোৱা পূব আকাশত ৰাতিৰ মলিন আন্ধাৰক গ্ৰাস কৰি প্ৰভাতে কেনেকৈ আনন্দ মনেৰে পৃথিৱীত আগবাঢ়িছে। অতীতৰ মলিন কথা বাদ দি আগবাঢ়িব লাগিব আমি দুয়োজনে।

—: মোৰ বিয়া নাই, নাই, এইটো হ'ব নোৱাৰে।

—: আহা: আহা: বাহিৰলৈ ওলাই আহা। ৰাতি পুৱাল। আমাৰ শুভ কাম এতিয়াই কৰিব লাগিব।

মানুহজনে জোৰ কৰি মিনাৰ হাতত ধৰি টানি নিলে, মন্দিৰৰ গাতে লাগি থকা নদীখনলৈ। দুয়োজনে গা-পা ধুঁই মন্দিৰত প্ৰৱেশ কৰিলে। লাহে লাহে মন্দিৰৰ চাৰিওফালে মানুহ ভৰি পৰিল। মানুহজনে থাপনাৰ পৰা সিন্দুৰ আনি মিনাৰ কপাল তথা শিৰ ৰঙা কৰি দিলে। মিনাই মানুহজনক লগে লগে ভৰিত ধৰি সেৱা এটা কৰিলে। মানুহজনে মিনাক আশীৰ্ব্বাদ দিলে। হঠাৎ মন্দিৰৰ শঙ্খ-ঘণ্টা বাজিবলৈ ধৰিলে। মন্দিৰৰ চৌদিশ মুখৰিত হ'ল বিয়াৰ কথাত। মন্দিৰৰ মুখ্য বাবাজীজনক দুয়োজনে প্ৰনাম জনাই বাহিৰলৈ ওলাই আহি গাড়ীত বহিল। বহুতোবোৰ বাবাজী আৰু মানুহ আহি গাড়ীত কান্ধত ঠিয় দিলে। মানুহজনে গাড়ী ষ্টাৰ্ট কৰি বাই, বাই টা, টা দি গুচি গ'ল।

মন্দিৰৰ বাবাজীবোৰৰ মনত সুখ আৰু দুখৰ গভীৰ চাঁ পৰিল। আন আন মানুহৰ মুখত প্ৰকাশ পালে যে মন্দিৰৰ সন্যাসীনীৰ বিয়া হ'ল। বনপুৰা জুইৰ দৰে চহৰৰ চাৰিও ফালে মিনাৰ বিয়াৰ কথা সকলোৱে গম পালে। ডাঙৰ ডাঙৰ চাহাব বাবু আহি মন্দিৰত মিনাৰ খবৰ কৰিলে। কথাটো সত্য মিনা নাই। মিনা মন্দিৰৰ পৰা যি ওলাই গুচি গ'ল, গলেই। মিনাক আৰু পুনৰ মন্দিৰত কোনোৱে দেখা নাপালে।

০০০০০

****



# অসম বিদ্যুৎ পৰিষদৰ শংকত অৱস্থা

শ্ৰীগজেন চন্দ্ৰ ৰয়
হিচাপ পৰীক্ষক ও পৰ্য্যবেক্ষক সদস্য

প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ অসম মাতৃৰ অন্যতম বৃহৎ অনুষ্ঠান "অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ'ৰ আজি কৰ্তৃপক্ষ আৰু চৰকাৰৰ অৱহেলা আৰু অমনোযোগীতাৰ ফলতে জৰা-জীৰ্ণ অৱস্থা। আওঁপুৰণি জাল এখন একালে টানিলে আনফালে ফালি যোৱাৰ দৰে বিদ্যুৎ পৰিষদৰো একে অৱস্থা। বিদ্যুৎ পৰিষদৰ অৱস্থা কেৱল এটা দিশতে শোচনীয় নহয়, বৰ্তমান ই এলান্ধুকলীয়া মকৰা জালৰ মেৰ-পাকত আৱদ্ধ। এই এলান্ধুকলীয়া দুৰৱস্থাটোক নিকা কৰিবলৈ আগবাঢ়ি অহাৰ জানো সময় হোৱা নাই? নিকা কৰিব ? নেলাগে জানো? বিষয়া-কৰ্মচাৰী আৰু সংগঠন বিলাকে ইয়াৰ প্ৰতিকাৰ কৰাৰ সময় নাই হোৱা নেকি? অসম বিদ্যুৎ পৰিষদ জানো আমাৰ অসমৰ সম্পতি নহয়? ই আমাৰেই বৰ্ত্তমান আৰু ভবিষ্যত অসম তথা ভাৰতবাসীৰ উন্নতিৰ মূল উৎস স্বৰূপ নহয় জানো? মানৱ জাতিৰ সৰ্বাঙ্গ'ন উন্নতি বিদ্যুৎ অবিহনে অসম্ভৱ। অৱশ্যে এটি শুভ লক্ষণ দেখা গৈছে যে বিদ্যুৎ পৰিষদৰ ধন অপচয়, বিদ্যুৎ যোগানৰ খেলি-মেলি, ৰবমুৰীয়া সকলৰ অৱহেলা ইত্যাদি সম্পৰ্কীয় তথ্য-পাতি অসম-বাসী বাইজে কাকত পত্ৰ আদিত দাঙি ধৰা দেখা যায়। সচাকৈ এইটো বিদ্যুৎ পৰিষদৰ পক্ষেও শুভ। পৰিষদৰ শ শ মুধাফুটা ৰবমুৰীয়া সকলৰ কাৰ্য্য-দক্ষতাৰ অভাৱ আৰু অভিজ্ঞতাৰ অভাৱ হেতু আজি দেশৰ জনসাধাৰণে জীয়াতু-ভোগীবলগীয়া হৈছে আৰু ভুল-ত্ৰুতিবোৰ দাঙি ধৰি শুধৰণিৰ মানসেৰে আগবাঢ়ি আহিছে যো ইয়াত সন্দেহ নাই।

আনহাতে পূৰ্বতে পৰিষদত সৃষ্টি নোহোৱা শীৰ্ষস্থানীয় সদস্য পদ কাৰিকৰী দিশত সৃষ্টি কৰা হ'ল, তথাপি ভাৰত হেভি ইলেকট্ৰিকেল লিমিটেড বিদ্যুৎ উৎপাদনৰ প্ৰকল্প বিলাকৰ বাবে যোগান ধৰিলে অতি আওঁপুৰণি যন্ত্ৰপাতি, যিবিলাক ব্যৱহাৰৰ উপযোগী নহয়। তেনে যন্ত্ৰপাতি পৰিষদত বিক্ৰী কৰি কোটি কোটি টকা শোষণ

কৰি নিলে। যেনে—বঙ্গাই তাপ বিদ্যুৎ প্ৰকল্পৰ ৪ টা গোটৰ ৬০ মেগাৱাট উৎপাদন ক্ষমতাৰ বাবদ টকা নিলে; কিন্তু মাত্ৰ ৩০ ৰ পৰা ৩৫ মেগাৱাটহে উৎপাদন হয়। কিন্তু ভাৰত হেভি ইলেক-ট্ৰিকেল লিমিটেডে ৬০ মেগাৱাট উৎপাদনক্ষমৰ টকা লৈ গৈছে। ১ ম আৰু ২ য় গোট অচল হোৱাত পুনৰ কোটি কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰিবলগীয়া হৈছে। যাৰ ফলত বিদ্যুৎ পৰিষদে প্ৰতি দিনে ৯/১০ লাখ টকা হেৰুৱাব লগীয়া হৈছে। নামৰূপ ৱেষ্টহিট প্ৰকল্প আৰু চন্দ্ৰপুৰ তাপ বিদ্যুৎ কেন্দ্ৰৰ একেই অৱস্থা। ইয়াৰ উপৰিও প্ৰকল্পৰ গোট সমূহ প্ৰায়ে অচল হৈ থাকে আৰু যন্ত্ৰ-পাতি বোৰ কাৰ্য্যক্ষমহীন হৈ থাকে। উক্ত যন্ত্ৰ-পাতি বোৰ কাৰ্য্যক্ষম কৰিবলৈ টকা ব্যয় হোৱাৰ উপৰিও বিদ্যুৎ কৰ্ত্তন কৰিবলগীয়া হয় আৰু ইয়াৰ বাবে ৰাজ্যখনৰ জন-সাধাৰণে ঘোৰ আপত্তি দৰ্শাই পৰিষদক জগৰীয়া কৰিছে।

কাৰ্বিলাংপি জল বিদ্যুৎ প্ৰকল্পটো এক হাস্য-কৰ বিষয় হৈ পৰিছে। এই প্ৰকল্পৰ জন্ম লগ্নৰে পৰা পয়ালগা অৱস্থা। প্ৰথম অৱস্থাত প্ৰকল্পৰ কাম চলি থাকে সুদূৰ কাৰ্বিলাংপিত আৰু ইয়াৰ কাৰ্য্যালয়বোৰ আছিল গুৱাহাটীৰ মাজ-মজিয়াত। বৰমূৰীয়াসকলে প্ৰকল্পৰ টকা কাউৰী চিলনীয়ে থাপ মাৰি নিয়াৰ দৰে ব্যয় কৰিলে। কিন্তু প্ৰকল্পৰ কাম হৈ নুঠিল। প্ৰকল্প নিৰ্মাণৰ সময়-সীমা বঢ়াই দিব লগা হ'ল। এবাৰ নহয় দুবাৰ নহয় কেবাবাৰো নদী বান্ধ ভাঙি চিঙি উটি গ'ল। লগতে এটা বৃহৎ পৰিমাণৰ ধনৰ অংক নিমিলা হ'ল আৰু কোটি কোটি টকা কপিলীৰ বুকুত জাহঁ গ'ল। এই নিমিলা অংকৰ বাবে পৰিষদৰ তথা-কথিত গন্যমান্য সদস্য আৰু প্ৰকল্প ব্যৱস্থাপক চাকৰিৰ পৰা বৰ্খাস্ত হ'ল। অৱশ্যে এখেত সকলে চাকৰি পোৱাৰ সম্ভাবনা। আন প্ৰকল্প সমূহৰ শোষণৰ কথা নিলিখিলেও অনুমেয়। আনহাতে পৰিষদৰ ৰাজহৰ ক্ষেত্ৰত তেনেই দুৰবস্থা। বিদ্যুৎ বিক্ৰী হোৱা অনুপাতে ৰাজহ সংগ্ৰহ নহয়।

এতিয়া আহো মটৰ গাড়ী বিষয়লৈ। পৰিষদত বিষয়া আৰু অভিযন্তা হলেই মটৰ গাড়ীৰ প্ৰয়োজন। পৰিষদৰ কামৰ বাবে হওঁক বা নহওঁক। পৰিষদৰ মটৰ গাড়ীৰে বিলাসী জীৱন কটোৱাটোহে যেন মূল লক্ষ্য। লগতে সংলগ্ন হৈ থাকে তেল মবিলৰ খৰছ, মেৰামতিৰ খৰছ আৰু মাহেকে পযেকে গাড়ী গেৰেজত মেৰামতিৰ নামত উপাৰ্জ্জনৰ সুযোগ-সুবিধা। ১০ হেজাৰৰ ঠাইত ২০ হেজাৰ টকা খৰছ কৰাৰ মোকা। অপচয় হয় পৰিষদৰ কোটি কোটি টকা। লগতে এইটোও উনুকিয়াব বিচাৰিছো, হিন্দুস্থান কোম্পানীৰ গধূৰ মটৰ গাড়ী ক্ৰয় কৰাৰ অভিলাস। এই মটৰ-গাড়ী ক্ৰয় কৰিলে কমিচনৰ সুবিধা আছে। এই মটৰ গাড়ী সঘনাই অচল হয় আৰু মেৰামতিৰ বাবদ প্ৰচুৰ ধন ব্যয় হয়।

প্ৰশাসনিক আৰু গাণনিক দিশৰ মানদণ্ড একেবাৰে নিম্ন মানৰ। ফল স্বৰূপে পৰিষদৰ প্ৰশাসনীয় কাম-কাজত বিশৃংখলাই বৃদ্ধি পাইছে আৰু বিকল হৈ পৰিছে। নিম্ন শ্ৰেণাৰ কৰ্মচাৰী সকলক উপযুক্ত প্ৰাপ্যৰ পৰা চল চাতুৰীৰে বঞ্চিত কৰা হৈছে। লগতে কৰ্মচাৰী সকলে মানসিক ভাবে ক্ষুদ্ধ হৈ পৰিষদৰ সেৱাত অমনোযোগী হৈ বিপথগামী হৈছে। ইয়াৰ বাবে প্ৰশাসনীয় যন্ত্ৰটো সম্পূৰ্ণৰূপে দায়ী। অকল শাসন আৰু শোষণৰ যোগেদি কোনো উদ্যোগ তথা অনুষ্ঠানৰ উন্নতি সাধন সম্ভৱ নহয়। পৰিষদৰ কাম-কাজ, ভেমতে ওফন্দি থকা স্বতন্ত্ৰ বিষয়াৰ ইচ্ছা-অনিচ্ছাৰ ওপৰতেই চলি আছে। তেওঁলোকে কিছুমান বিভাগীয় কৰ্মচাৰীৰ দৰ্মহা শিক্ষা-অৰ্হতা আদি একে হোৱা স্বত্তেও দৰ্মহাৰ তাৰতম্য কৰিছে। যিটো যুক্তি সঙ্গত নহয়। ইয়াৰ ফলত কৰ্মচাৰী সকল মানসিকভাবে অসন্তুষ্ট হয় আৰু নিজ কৰ্ত্তব্যৰ প্ৰতি অৱহেলা কৰা দেখা যায়। পৰিষদ কৰ্ত্তৃপক্ষই সদভাৰ-সদ-ব্যৱহাৰ আৰু সমদৃষ্টিৰে উপ-যুক্ত প্ৰাপ্য প্ৰদান কৰিলে সেৱা আদায় কৰিব পাৰে। লগতে পৰিষদৰ স্থায়ী নীতি নোহোৱাৰ বাবে দুৰ্নীতিয়ে চৰম সীমা পাইছে যাৰ ফলত উচ্চ-খাপৰ পৰা নিম্ন-খাপৰ কৰ্মচাৰীয়ে কোনোৱেও কাকো নমনাৰ উপক্ৰম হৈছে আৰু পৰিষদৰ যথেষ্ট ক্ষতি হৈছে। সেয়েহে বিদ্যুৎ পৰিষদৰ বিষয়া পৰিবৰ্ত্তনৰ অতি আৱশ্যক হৈছে। যাতে স্বতন্ত্ৰ শাসনৰ ওৰ পৰে। উপযুক্ত অৰ্হতাসপন্ন বিষয়া কৰ্মচাৰী নিয়োগৰ দ্বাৰা পৰিষদৰ উন্নতি সাধন কৰাত পৰিষদ কৰ্ত্তৃপক্ষই একানপতীয়া মনোযোগ দিয়াটো অতি আৱশ্যক হৈ পৰিছে।

— × —

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ চতুৰ্থ শ্ৰেনী কৰ্মচাৰী সন্থাৰ ত্ৰয়োদশ
বাৰ্ষিক অধিবেশন সাফল্য কামনা কৰিলো।

—মানস—

প্ৰিণ্টাৰ্চ আৰু পাৰ্বলিচাৰ্চ

জাপৰিগোগ নয়নপুৰ দিশপুৰ গুৱাহাৱাটী—৬

# শাখা সম্পাদকৰ দু-আষাৰ ।

শ্ৰীঅনিলকুমাৰ মেধী
শাখা সম্পাদক
কাহিলীপাৰা, গুৱাহাটী-১৯

আমি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ আটাইবোৰ ভাই বন্ধুয়েই পৰিষদৰ কাৰ্য্যকলাপৰ বিষয়ে ভালদৰে নজনা নহয়। নিজৰ কথা বাদেই আনকি দেশ বিদেশবো অঃ ৰাঃ বিঃ পঃ ৰ ওপৰত আজি দৃষ্টি-গোচৰ হৈছে। দুৰ্নীতি বিষয়টো বোধহয় প্ৰচাৰিত নোহোৱাকৈ থকা নাই। ই এক মাত্ৰ কাল-সৰ্প হৈছে। আৱশ্যকতকৈ বেছি অভাৱ অগাধৰ বাৰেহে ওপৰ মহল কিমান দূৰ গৈ থাকে গম নেপায়। পৰিষদৰ আইন-কানুন, আদেশ ওৰ পেলাব নোৱাৰি, ই ৰাজ্যচৰকাৰৰ কথা বাদেই কেন্দ্ৰকো চেৰ পেলাব। তথাপিও সৰু শ্ৰেণী শ্ৰমিকৰ বাবে দু-বেলা দু-মুঠি ভালদৰে খাই জীয়াই থাকিব নোৱাৰ অৱস্থা। কোনো কোনো মহল যেনিবা এসোৰ তেজপীয়া সাপহে। পৰিষদে এনেকুৱা তেজপীয়া সাপো পুহি আছে। সৰু শ্ৰেণীৰ বাবে ব্যক্তি পূজা কৰিলেহে কোনো কাম গ্ৰাহ্য হয়। নহলে পৰিষদৰ কানুন, আদেশ কত? এক শ্ৰেণী লোকৰ বাবে ই প্ৰজোয্য নহয়। আদেশ বাদেই কেৱল চলিছে মৌখিক শাসন আৰু আদেশ। সৰু শ্ৰেণীৰ সাধাৰণ প্ৰাপ্য খিনিও বিচাৰি মুখ্য কাৰ্য্যালয়লৈ ঘূৰি-ফুৰিব লাগে। অন্যথা ব্যক্তি পূজা নহলে দেৱতা সন্তুষ্ট নহয়। ফলত আন্দোলনৰ অস্ত্ৰ বিচাৰিব লগীয়া হয়।

পৰিষদত কাৰ্য্যকৰী' শব্দটোৱে প্ৰত্যেক শ্ৰমিকক আজি সজাগ কৰি তুলিছে। ই এটা আচৰিত বৈষম্যৰ সৃষ্টি কৰিছে। আদেশ আৰু নীতিবোৰ কাৰ্য্যকৰী কৰাৰ বাবে শ্ৰমিকে বিচাৰিব লগীয়া হৈছে সংগ্ৰামৰ পথ। ইয়াৰ বাবে অতি দৰকাৰ হৈ পৰিছে আইন বা বিচাৰকৰ ওচৰ চপা।

ভাই, বন্ধুসকল ই বৰ দুখৰ বিষয়। পৰিষদৰ এনেবোৰ কাৰ্য্যৰ বিৰুদ্ধে থিয় দিবলৈ আজি শ্ৰমিক সকলক বাধ্য কৰাইছে। পৰিষদে সন্থাৰ প্ৰতি গুৰুত্ব কমোৱাৰ বাবে আজি এক মুখে এক পথে আগবাঢ়িব লগীয়া হৈছে সংগ্ৰামৰ ফালে।

বন্ধুসকল! হাত সাৱতি বহি থাকিবলৈ আৰু অমাৰ সময় নাই। আহক আগবাঢ়ি আহক সংগ্ৰামৰ ফালে। ভালদৰে খাবলৈ, থাকিবলৈ আমাক লাগে ন্যায্য-প্ৰাপ্য। আমি বুকু ফিন্দাই আগুৱাই যাম, অতীত, বৰ্ত্তমানকলৈ আমি নামিব লাগিব ভবিষ্যতৰ বাটত শ্ৰমিকৰ প্ৰাপ্য বিচাৰি আমাৰ দৈন্যই আমাৰ সম্পত্তি। ন্যায্য আমাৰ দাবী। সিকাইছে আমাক দেশ মাতৃয়ে।

আমাৰ বিশাল ন্যায্য বিপ্লৱক শোষণ কৰিব নোৱাৰে কোনো চক্ৰই। যেনেকৈ কোনো দুৰ্বাৰ শক্তিয়ে বিশাল সূৰ্য্যক বাধা দিব নোৱাৰে তেনেকৈ আমাৰ ঐক্যৰ শক্তিক কোনো চক্ৰান্তকাৰীৰ চক্ৰই আৰু ষড়যন্ত্ৰকাৰীৰ ষড়যন্ত্ৰই ৰোধিব নোৱাৰে। কালৰ ৰথৰ চকাৰ দৰে ই আগুৱাই গৈ থাকিব।

আমাৰ আজি এক মাত্ৰ লক্ষ্য ক্ৰমোন্নতিৰ। আকাংখা, প্ৰয়োজন স্বতন্ত্ৰৰ প্ৰতি বিপুল অনুৰাগ, আত্মবিশ্বাস, আত্মনিৰ্ভৰশীলতা আৰু অসীম ধৈৰ্য্য দুৰ্নীতি ধ্বংসৰ বাটত আমাক লাগে দক্ষতা, ঐক্য-বোধ, উন্নতিৰ বাবে অদম্য প্ৰচেষ্টা। আমাক লাগে এক নতুন উদ্দীপনা যিয়ে আমাক পিচলৈ চোৱাৰ পৰা বিৰত ৰাখি মাথো সম্মুখৰ ফালে দৃষ্টি প্ৰসাৰিত গুনবোৰ প্ৰবাহিত কৰে।

৪ৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা

জিন্দাবাদ।

# নগাওঁ জিলা চামগুৰিত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সংগঠনৰ আৰম্ভণিৰ বেটুপাত

শ্ৰীগোপাল চন্দ্ৰ হীৰা
শাখা সম্পাদক
চঃ শ্ৰেঃ কঃ সন্থা চামগুৰি

১৯৮৬ চনৰ মাজভাগৰ আগলৈকে চামগুৰি বিদ্যুৎ পৰিষদৰ এটি মাত্ৰ কৰ্মচাৰী সংগঠন— বিদ্যুৎ কৰ্মী সংঘহে আছিল। এই সংঘত কনিষ্ঠ অভিযন্তা আৰু অভিযন্তা সন্থাৰ বাহিৰে চামগুৰি সকলো কৰ্মচাৰী একগোট হৈ মিলি আছিল। এই বিদ্যুৎ কৰ্মী সংঘৰ মাজত আৱদ্ধ হৈ থকা সাধাৰণ শ্ৰেণী কৰ্মচাৰী সকলে সন্থাৰ ভিতৰুৱা কথাৰ কোনো ভু-পোৱা নাছিল। ফলত ট্ৰেড-ইউনিয়নৰ ভিতৰত কেৰোণ সোমাল, বিষয়ববীয়া সকলৰ মাজত খাম-খিয়ালি লাগিল। সাধাৰণ কৰ্মচাৰী সকলৰ কথা সমুলি চিন্তা নকৰা হ'ল। নেতা সকলৰ নিজৰ পদবীলৈ লোভ বাঢ়িল। তাৰ ফলত সাধাৰণ শ্ৰেণী কৰ্মচাৰী সকলৰ মাজত ক্ষোভ বাঢ়ি গ'ল। মই আৰু কেইজনমান চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী মিলি আমাৰ মাজত দেখা দিয়া অভাৱ-অভিযোগৰ বিষয়ে চিন্তা কৰি চালো আৰু আলোচনা কৰিলো। আমি আমাৰ এই অভাৱবোৰ কেনেকৈ সমাধান কৰিব পাৰিম। এনেতে আমাৰ চামগুৰিৰে এজন কৰ্মচাৰীয়ে মোক জনালেহি চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা এটি লংকাত আছে। কিন্তু মই বিশ্বাস কৰিব পৰা নাছিলো। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ভিতৰত যে চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা জন্ম হৈ আছে। তেতিয়া মই আৰু কেইজনমান বন্ধু লগ লাগি আজৰি সময়ত গোটখাই চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা চামগুৰিত জন্ম দিয়াৰ বিষয়ে আলোচনা কৰিলো। সাধাৰণ শ্ৰেণী কৰ্মচাৰী সকলৰ মন বুজিলো আৰু দুখ দেখিলো। সেইবোৰ দেখি মোৰ অন্তৰে সহ্য কৰিব নোৱাৰা হ'ল। তেতিয়া মোৰ অন্তৰতে দৃঢ় সংকল্পবদ্ধ হ'ল। যদি "চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা" অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ভিতৰত আছে, তেনেহলে আমি নিজে চামগুৰিত সন্থাটো জন্ম দিমেই। মই আপ্ৰান চেষ্টা কৰিলো। যি জন আমাৰ কৰ্মচাৰীয়ে চতুৰ্থ শ্ৰেণী সন্থা লংকাত আছে বুলি খবৰ দিছিল, তেওঁৰ লগত বিতংভাৱে আলোচনা কৰিলো। তেতিয়া তেওঁ লংকাৰ শ্ৰীমহেন্দ্ৰ বড়াৰ কথা অৱগত কৰিলে। মই আৰু বন্ধুকেইজন মানে পুনৰ আলোচনা কৰি শ্ৰীবৰাক চামগুৰিলৈ নিমন্ত্ৰণ কৰি আনি চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাৰ ভিতৰুৱা কথাবোৰ আন্তৰিকতাৰে শুনিলো আৰু বুজিলো। আমি উপলব্ধি কৰিলো, সাধাৰণ শ্ৰেণী শ্ৰমিকৰ ব্যক্তিগত স্বাধীনতা লুপ্ত হব ধৰিছে। আজি ১৫/১৬ বছৰে প্ৰত্যেকজন কৰ্মীক একে পদবীত কাম কৰাই বিদ্যুৎ কৰ্মী সংঘই ঠগ পৱঞ্চনা কৰি মাহেকীয়া দান বৰঙনি আদি নি শ্ৰমিকৰ উন্নতিৰ হকে চিন্তা নকৰি, সাধাৰণ শ্ৰমিকক ধ্বংসৰ মুখলৈ ঠেলি দিছে।

আমি সজাগ হলো আৰু শ্ৰীমহেন্দ্ৰ বৰাক নতুন উদ্যমেৰে কলো আমাক কেন্দ্ৰীয় কমিটিৰ লগত যোগাযোগ কৰাই দি আমাৰ সাধাৰণ শ্ৰেণী কৰ্মচাৰী সকলক ধ্বংসৰ কোবাল বুকুৰ পৰা উন্নতিৰ পথলৈ নিঅহাৰ চষ্টা কৰক। অৱশেষে শ্ৰীবৰাই আমাক উৎসাহ উদ্দীপনাৰে বহু কষ্ট কৰি সেইখেতে কেন্দ্ৰীয় কমিটিৰ লগত যোগাযোগ কৰি চামগুৰিলৈ ইং ১১/৭/৮৬ তাৰিখে কেন্দ্ৰীয় সদস্য দুজন অহাৰ খবৰ দিলে। সেই খবৰ পায় আমাৰ চামগুৰি সাধাৰণ কৰ্মচাৰী সকলৰ অন্তৰত আনন্দৰ ঢৌ তুলিকি মাৰিলে। আমি কেইজনমান চতুৰ্থ শ্ৰেণী কৰ্মচাৰী বন্ধুয়ে বহু কষ্ট কৰি এখন সাধাৰণ সভা উক্ত তাৰিখত আয়োজন কৰিলো। যথা সময়ত শ্ৰীমহেন্দ্ৰ বৰা আৰু কেন্দ্ৰীয় সদস্য দুজন আহি আমাৰ মাজত উপস্থিত হ'লহি, সেই দিনাই সেই সভাতে কেন্দ্ৰীয় সদস্য শ্ৰীযুত সৰ্বানন্দ শৰ্মা দেৱৰ সভাপতিত্বত ইং ১১/৭/৮৭ তাৰিখে চামগুৰি শাখাত চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা জন্ম দিলো। চামগুৰি চতুৰ্থ শ্ৰেণী কৰ্মচাৰীৰ মাজত কাৰ্য্যকৰী সদস্য গঠন কৰি নব-নিৰ্ব্বাচিত সভাপতি ৰূপে শ্ৰীযুত কমল ভূঞা দেৱ আৰু সম্পাদকৰ দায়ীত্ব মোক অৰ্পণ কৰি আৰু ভালেকেইজন বিষয়ববীয়াক বাচি দি সন্থাৰ কামত আগবাঢ়ি যাবলৈ সেই সভাই অনুমতি দিলে। চামগুৰিত চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা জন্ম হোৱাৰ পাছৰে পৰা বহুত বিপক্ষ লোকে সন্থাটো ধ্বংস কৰিবলৈ অশেষ চেষ্টা কৰিছিল। সেইবোৰ কাৰুকাৰ্য্য দেখি আমাৰ সন্থাৰ দুই-এজনে ভয় খাইছিল। কিন্তু আমি কেইজনমানে বুকুত সাহস বান্ধি নতুন উদ্যমেৰে সন্থাৰ কাম কৰি যাবলৈ আগবাঢ়িলো। সেই কথা কেন্দ্ৰীয় কমিটিৰ অজ্ঞাত নহয়। লাহে লাহে আমাৰ চামগুৰি চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাই সুস্থ-সবল ৰূপ ধাৰণ কৰিলে। আমি কেন্দ্ৰৰ লগত আমাৰ সাধাৰণ শ্ৰেণী কৰ্মচাৰী সকলৰ মাজত উদ্ভৱ হোৱা অভাৱ-অভিযোগৰ বিষয়ে আলোচনা কৰিবলৈ সুবিধা পাইছো। কেন্দ্ৰত আয়োজন কৰা প্ৰত্যেকখন সাধাৰণ সভা আৰু কাৰ্য্যকৰী সভাত যোগদান কৰিছো। আগতে নজনা-নুশুনা বহুতো কথা আয়ত্ব কৰিবলৈ সক্ষম হৈছো। আমি সন্থা গঠণ কৰাৰ পাছতে চামগুৰি সাধাৰণ কৰ্মচাৰীসকলে কোনো দিনে নেদেখা আৰু নজনা এটা ডাঙৰ জটিল

বহুতো কথা আয়ত্ব কৰিবলৈ সক্ষম হৈছো। আমি সন্থা গঠন কৰাৰ পাছতে চামগুৰিৰ সাধাৰণ কৰ্মচাৰী সকলে কোনো দিনেনেদেখা আৰু নজনা এটা ডাঙৰ জটিল কামৰ দায়ীত্ব নত শীৰে মুৰ পাতি লবলৈও সক্ষম হ'ল। সেইয়া হ'ল চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাৰ দ্বা-দশ বাৰ্যিক অধিবেশন। চামগুৰি শাখাৰ সাধাৰণ কৰ্মচাৰী সকলে ইমান বৃহত দায়ীত্বৰ বোজা মুৰ পাতি লোৱাত ইয়াৰে অন্য সংগঠনৰ কৰ্মচাৰীয়ে আমাৰ দুই এজনক ইতিকিং কৰাও দেখা গৈছিল। কেন্দ্ৰীয় কমিটি আৰু স্থানীয় ৰাইজৰ সহায় সহযোগত আমাৰ চামগুৰিতে ইং ৬, ৭, ৮ মাৰ্চ্চ ৮৭ ত তিনি দিনীয়া কাৰ্য্যসুচীৰ সুচাৰু ৰূপে সমাপ্ত কৰিলো। অমাৰ চামগুৰি সাধাৰণ কৰ্মচাৰী সকলৰ এই খনেই সদৌ চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাৰ আমোলত নিজ চকুৰে দেখি লালন--পালন কৰিবলৈ পোৱা প্ৰথম খন অধিবেশন। আমাৰ হৈ যোৱা অধিৱেশন চামগুৰিত পাতিবলৈ সুবিধা দিয়া সকলৈ আমাৰ সন্থাৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা থাকিল।

আমি চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাক কেন্দ্ৰ কৰিয়েই আমাৰ সাধাৰণ শ্ৰেনী কৰ্মচাৰী সকলৰ অভাৱ অভিযোগ বোৰ পৰিষদৰ বিষয়া সকল থকাত বহি আলোচনা কৰিবলৈ সুযোগ পাইছো আৰু কিছু সফলতা অৰ্জ্জন কৰিছো। বৰ্ত্তমান আমাৰ চামগুৰি শাখাই, ১৯৮১ চনতে পৰিষদৰ বাচনি পৰীক্ষাত উত্তীৰ্ণ হৈ অস্থায়ী হিচাবে অন্য কৰ্মীৰ ছুটীত মাজে-মাজে কাম কৰা ৫ জন কৰ্মীৰ ভিতৰৰ ৩ জনক পৰিষদৰ বিষয়া ও কেন্দ্ৰীয় কমিটিৰ লগত আলোচনাৰ মাধ্যমেৰে সকৰল দিয়াইছো।

বৰ্ত্তমান সংগঠন হিচাবে চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা চামগুৰি শাখা খুউব শক্তিশালী। যি ন্যায্য প্ৰাপ্যৰ পৰা আমি বঞ্চিত হৈ আছিলো এতিয়া সন্থাৰ নিয়ম নীতি মানি ন্যায্য প্ৰাপ্য আদায় কৰিব লাগিব। যদি নিয়ম শৃংখলা মাজেদি পৰিষদে ন্যায্য প্ৰাপ্য নিদিয়ে আমি সংগ্ৰাম কৰি হলেও আদায় কৰিব লাগিব।

গতিকে পৰিষদৰ সকলো কৰ্মচাৰীৰ প্ৰতি মোৰ আহ্বান চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাৰ লগত যোগদান কৰি ন্যায্য প্ৰাপ্য আদায় কৰিবলৈ ঐক্য বদ্ধ হওঁক।

★★★



# নিবেদন ঃ

শ্ৰীদীনেশ বৰা
১৫২ কি, ভি, সংযোগ উপকেন্দ্ৰ,
গহপুৰ।

দুনিয়াৰ আৱহাৱাৰ মাজত জীয়াই থকা জাতিটোৰ নিম্নতম শ্ৰেণীটো যদি মোৰদৃষ্টিত ধৰা পৰে তেন্তে সেই শ্ৰেণীটো হ'ল শ্ৰমিক শ্ৰেণী। শ্ৰমিক শ্ৰেণীটো এই বাবেই নিম্ন শ্ৰেণী বুলি থোৰতে কওঁ যে, বিশ্লেষণমূলক তথা ধাৰাবাহিক ভাবে ইয়াক জুকিয়ালে ইয়াৰ পৰিসৰ বহল। কাৰণ বহুটো বিজ্ঞান সন্মত যুক্তি ওলাই পৰে ইয়াৰ অৰ্থসূচক ৰূপত। বিশ্বৰ বিভিন্ন শ্ৰমিক শ্ৰেণীৰ ওপৰত অধ্যয়ন কৰিলে, শ্ৰমিক শ্ৰেণীৰ ঐতিহাসিক তত্ত্ব ধৰা পৰে। বিশ্বৰ সেই বৃহৎ শ্ৰমিক জাতিটোৰ প্ৰতি আমাৰ অজ্ঞতা লুই কৰিব নোৱাৰি। সংক্ষেপে বিদ্যুৎ শ্ৰমিক শ্ৰেণীৰ কৰ্মময় জীৱনৰ কেইটামান কথা কবলৈ ওলাইছো। অসমৰ বিভিন্ন বিভাগৰ শ্ৰমিক শ্ৰেণীৰ জীৱন ধাৰাৰ লগত তুলনামূলক দৃষ্টিভংগীৰে বিশ্লেষণ কৰিলে ই উৰ্দ্ধত নহলেও সীমিত বুলি কব নোৱাৰি। কাৰণ দুনিয়াত বিজ্ঞানৰ অগ্ৰগতিৰ খোজত খোজ মিলাই অসমৰ দৰে পিচ পৰা ৰাজ্যক অগ্ৰগামী কৰিবলৈ যোৱাৰ মূলতে হ'ল বিদ্যুৎ শ্ৰমিকৰ শ্ৰম দান। কিন্তু দেখা যায়, শ্ৰমিকৰ শ্ৰমৰ বজাৰত কিমান মূল্য! বজাৰ, মূল্যৰ লগত তুলনা কৰিলো এই কাৰণেই যে, শ্ৰমৰ ব্যৱহাৰ ( Utility )। কাৰণ দেশখনত বিদ্যুৎ চাহিদাৰ পৰিপ্ৰেক্ষিতত সঘনাই কাকতে পত্ৰে প্ৰকাশ পাব লাগিছে বিদ্যুতৰ নাটনি তথা বিদ্যুৎৰ বিজুতি। বিদ্যুৎৰ বিজুতি বুলি কলে থোৰতে জনসাধাৰণে ভাবি লয় বিদ্যুৎ শ্ৰমিক বিলাকে কৰ্ত্তব্যত ফাঁকি দিয়ে। মিছা বুলিও কব নোৱাৰি, যিহে টিপিক টাপক গধুলী হলে কেৰাচিন তেলৰ চাঁকি নজলালে ৰক্ষাই নাই। অৱশ্যে এই বিজুতি ঠাইবিশেষে কিছু তাৰতম্য হ'ব পাৰে। কাৰণ গুৱাহাটীৰ নিচিনা মহানগৰী খনত এই বিজুতি সীমিত বুলি ক'ব পাৰি। গুৰুত্ব সহকাৰে ইয়াক অধ্যয়ন কৰিলে আচলতে বিজুলীৰ

বিজুতিৰ কাৰণ হ'ল শ্ৰমৰ বিজুতি। কাৰণ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদত বিজুলী শক্তি উৎপন্ন কৰিব পৰা কেন্দ্ৰ কেইবাটাও আছে। সাধাৰণ ৰাইজে ক'ব বিজুলী শক্তি উলিওৱা ইঞ্জিন কেইবাটাও আছে। সেইবিলাকত কি বিজুলী শক্তি নোলাই নেকি? ইয়াৰ উত্তৰত ক'ব লাগিব শ্ৰমিকে সময়মতে কাম কৰা নাই। অৱশ্যে এইটো কলে অনিয়ম নহব যে আজি-কালি বিদ্যুৎ শ্ৰমিকবিলাক এলেহুৱা। কাম প্ৰায় নাই বুলিয়েই ক'ব পাৰি। তেন্তে এলেহুৱা নহয় আৰু কি? এইটো জনা কথা যে বিদ্যুৎ পৰিষদৰ কামবিলাকৰ ঠিকা দিয়ে। ডাঙৰ ডাঙৰ লাইন, ডাঙৰ ডাঙৰ ইঞ্জিন বহুৱা, সৰু ডাঙৰ সমূহ বিদ্যুৎ কেন্দ্ৰ স্থাপন কৰা। আনকি ধৰক লগোৱা মিটাৰলৈকে বোলে ঠিকা দিয়ে। তেন্তে এই ঠিকা ব্যৱহাৰটো বিদ্যুৎ শ্ৰমিকে শ্ৰম নকৰা কাৰণে হ'ল নেকি? ইয়াৰ উদাহৰণ হিচাবে—বঙাইগাৱত অৱস্থিত বঙাই গাওঁ থাৰ-মেল প্ৰজেক্টটি বহু কৌটি টকাত 'ভেল' নামৰ এটি বৃহৎ কোম্পেনিক বৈদ্যুতিক সৰঞ্জাম বিলাকৰ ঠিকাৰ যোগেদি কৰোৱা হৈছিল। কিন্তু বিদ্যুৎক্ষম অৱস্থাত দেখা গ'ল, ইয়াৰ উৎপাদনৰ ক্ষমতা অতি নগণ্য। অৱশ্যে ইয়াক নুই কৰিব নোৱাৰি যে অসমৰ দৰে এখন অনা-শিল্পানুষ্ঠান ৰাজ্যত এই সৰঞ্জাম সমূহ আমদানি হোৱাটো দুৰ্লভ। কিন্তু এই বৃহৎ প্ৰকল্পটি বৰ্ত্তমানেও পৰিচালনা কৰিব নোৱাৰাটো বিদ্যুৎ শ্ৰমিকৰে সম্যক জ্ঞানৰ অভাব। কাৰণ কাৰিকৰী দিশত শ্ৰমিকৰ উপযুক্ত প্ৰশিক্ষণৰ প্ৰয়োজন সেয়েহে উপযুক্ত শ্ৰম আৰু ভাল সৰঞ্জামে শ্ৰমিকৰ কৰ্মময় জীৱনৰ উচিত মূল্য দি[illegible] পাৰে। বৰ্ত্তমান দেশত বিজুলী শক্তিৰ চাহি[illegible] লৈ লক্ষ্য ৰাখি বিদ্যুৎ শ্ৰমিকৰ একানপতি[illegible] কৰ্ত্তব্যই ইয়াৰ পৰিপূৰক। দেশখনৰ অৰ্থ নৈতিক[illegible] সামাজিক, আৰু কাৰিকৰী দিশত উন্নত মানদণ্ড[illegible] সফলতা নিৰ্ভৰ কৰে শ্ৰমিকৰ আৰ্থিক দিশটোত[illegible]

সেই হিচাবে পৰিবেশ সৃষ্টি হ'ব লাগিব। বিদ্যু[illegible] শ্ৰমিকৰ গতানুগতিক ভাবে দেশখনৰ অন্যান্য[illegible] শ্ৰমিকৰ জীৱন ধাৰাৰ লগত আপাত দৃষ্টিত এ[illegible] কাৰণেই তুলনা কৰিব নোৱাৰি যে, জীৱন[illegible] ভয়াবহতা, সূক্ষ্ম ভুল তথা যান্ত্ৰিক বিজুতি ইত্যাদিৰ ফলতেই।

শ্ৰমিকে শ্ৰমদানৰ একাগ্ৰতা যোগাব লাগিব, আৰ্থি[illegible]কভাবে সক্ষমতা যোগাব লাগিব, উপযুক্ত বৈজ্ঞা[illegible]নিক সা সৰঞ্জাম ব্যৱহাৰৰ উপযোগী কৰি তুলি[illegible] লাগিব, প্ৰশিক্ষনৰ মাধ্যম উন্নত হ'ব লাগিব[illegible] শ্ৰমৰ পৰিপূৰক হিচাবে শ্ৰমদাতাই কাৰ্য্যদক্ষত[illegible] দেখুৱাব পাৰিব লাগিব, লগতে শাৰীৰিক ভাৱে[illegible] কৰ্তৃপক্ষই শ্ৰমিকৰ চাৰিত্ৰিক দিশত উৎসাহ দি[illegible] পাৰিব লাগিব। বৰ্ত্তমান অসমৰ দৰে এখন পিচ[illegible] পৰা ৰাজ্যত নিবনুৱা সমস্যা ৰোধ কৰাৰ হেতু অধিক পৰিমানৰ শিল্পানুষ্ঠান গঢ়ি উঠিব পৰাকৈ বিজুলীশক্তিৰ প্ৰসাৰতাত গুৰুত্ব দিব লাগে। আৰু ইয়াক এক মাধ্যম বুলি ক'ব পাৰি।

★ ★ ★



## —নামনি অসম সম্পাদকৰ দু-আষাৰ—

জয় জয়তে পৰমপিতা পৰমেশ্বৰৰ আশীয শীৰত লৈ মই মোৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলিছো। লিখনিৰ অনিচ্ছাকৃত ভুল-ভ্ৰান্তিবোৰৰ বাবে সমূহ সহকৰ্মী বন্ধু/বান্ধৱী তথা হীতাকাঙ্খীসকলৰ পৰা ক্ষমা বিচাৰিছো। ১৯৮৭-৮৮ চনৰ বাবে মোক নামনি অসমৰ সম্পাদকৰ দায়ীত্বভাৰ দি সন্থাৰ সেৱা আগবঢ়োৱাৰ সুবিধা কৰি দিয়া বাবে সহকৰ্মী সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদত জন্মৰে পৰা বহু ক্ষেত্ৰত নানাধৰণৰ আথোৱাহ থকা দেখা যায়। তাৰ ভিতৰৰে কেইটিমান আঙুলিয়াই দিব খুজিছো।

পৰিষদত পদোন্নতিৰ ক্ষেত্ৰত কোনো আদৰ্শ নীতি দেখা নাযায়। পৰিষদৰ বিষয়া পৰ্য্যায়ত থকা পদোন্নতিৰ নীতি সমূহ ৪ৰ্থ শ্ৰেণী বা ৩য় শ্ৰেণীৰ কৰ্মচাৰীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। বিষয়া বা ৰৰমুৰীয়া সকলৰ বেলিকা থকাৰ দৰে জেষ্ঠ্যতাৰ ভিত্তিত ৪ৰ্থ বা ৩য় শ্ৰেণীৰ কৰ্মচাৰীক পদোন্নতি দিয়া নহয়। গতিকে এই প্ৰতিবেদনৰ জৰিয়তে মই বিভাগীয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলো।

পৰিষদৰ সা-সুবিধা বিলাকৰ ক্ষেত্ৰত শ্ৰেণী ভেদে পক্ষপাতিত্ব কৰা দেখা যায়। এজন বিষয়া পৰ্য্যায়ৰ কৰ্মচাৰীয়ে গৃহনিৰ্মাণৰ আগধন যিমান দিনত পাব এজন নিম্ন শ্ৰেণীৰ কৰ্মচাৰীয়ে সিমান খিনি সময়ত পোৱা দেখা নাযায়। এই ক্ষেত্ৰত কৰ্তৃপক্ষই বিশেষ দৃষ্টি ৰাখিব বুলি আশা ৰাখিলো।

পৰিষদৰ বিল আৰু মিটাৰ সম্পৰ্কীয় বহুতো অভিযোগ জনসাধাৰণৰ পৰা পায় থকা হৈছে। পৰিষদৰ বেছিভাগ মিটাৰেই নিম্ন মানৰ বা ব্যৱহাৰৰ উপযোগী নহয়। যাৰ ফলত পৰিষদ আৰু জনসাধাৰণ উভয় পক্ষৰে ক্ষতি হৈ আছে। বহুক্ষেত্ৰত মিটাৰ ৰিডাৰে জনসাধাৰণক হাৰাশাস্তি কৰা দেখা যায়। এওঁলোকৰ কিছুমানে ভোক্তাৰ পৰা নগদ ধনওঁ দাবী কৰে। অন্যথা তেওঁলোকৰ ইচ্ছানুযায়া মিটাৰ ৰিডিং দেখুৱাই। ফলত ভোক্তাজনৰ নামত

অতিৰিক্ত বিল আছে। এনেকুৱা উদাহৰণ আমাৰ হাতত আছে। এজন মানুহে নতুনকৈ বিজুলী যোগান পাবলৈ হলে সম্পূৰ্ণ তথ্যপাতি দিয়াৰ পিছতো অন্যায়কৈ নগদ ধন দাবী কৰে অন্যথা বহুদিন ধৰি কষ্ট ভূগীবলগীয়া হয়।

পৰিষদৰ কেন্দ্ৰীয় ভড়াল সমূহতো নানা দুৰ্নীতি পৰিলক্ষিত হৈ আছে। ভড়ালবিলাকত Conductor Drum ( বৈদ্যুতিক তাৰৰ ড্ৰাম ) লোৱাৰ সময়ত কোনোধৰণৰ জোখ-মাখ কৰাৰ ব্যৱস্থা নাই। যাৰ ফলত যোগান ধৰোতাৰ হিচাবকে মানি লব লগা হয়। কাহিলিপাৰস্থ ভড়ালত এনেকুৱা বেমেজালি দেখা গৈছিল কিন্তু ভড়ালৰ দায়ীত্বত থকা বিষয়াসকলৰ প্ৰতিবেদনৰ পিছতো ওপৰমহলৰ বিষয়াসকলে বিষয়টো ঢাকি ৰখাৰ চেষ্টা কৰা আমাৰ অনুমান হয়। গতিকে বিষয়টোৰ অনুসন্ধানৰ বাবে আমি কৰ্তৃপক্ষক টানি অনুৰোধ জনালো। এইবোৰৰ উপৰিও পৰিষদত দুৰ্নীতিৰ নানা অভিযোগ আহি থাকে। এইবিলাকত কৰ্তৃপক্ষই সজাগ দৃষ্টি ৰাখিব বুলি আশা কৰিলো।

পৰিষদত থকা সন্থাসমূহৰ মাজত সদ্ভাৱ বা মিলা-প্ৰীতিৰ অভাৱ সদায়েই পৰিলক্ষিত হৈ আছে। যি কোনো এটা সন্থাই ন্যায়ৰ সপক্ষে দাবী তুলিলেও আন এটাই বিৰোধীতা কৰে। এইটো নিশ্চয়কৈ অশুভ লক্ষণ।

সদৌ শেষত বিদ্যুৎপৰিষদৰ লগতে চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি আৰু মোৰ সহকৰ্মী সংগ্ৰামী বন্ধু-বান্ধৱীলৈ ধন্যাবাদ ওঁ কৃতজ্ঞতা জ্ঞাপন কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

— ইতি —

শ্ৰমিক ঐক্য জিন্দাবাদ

চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা জিন্দাবাদ

শ্ৰীথানেশ্বৰ বৰ্মন

নামনি অসম সম্পাদক

চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা।

অ: ৰাঃ বিঃ পঃ



প্ৰতি :—

তাৰিখ ৭/১০/৮৬

মাননীয় বিদ্যুৎ মন্ত্ৰী

অসম চৰকাৰ, দিছপুৰ গুৱাহাটী-৬

বিষয় :—

## অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ গণনা বিভাগৰ নিয়োগৰ অন্য এক গোপন ৰহস্য।

মহাশয়,

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ গণনা বিভাগৰ সহায়কাৰী গণনাকাৰী নিয়োগৰ সাক্ষাৎকাৰৰ কাৰণে ১:৮৬৬ জন প্ৰাৰ্থীক মৌখিক সাক্ষাৎ লবলৈ নিমন্ত্ৰণ কৰা হৈছিল। পূৰ্ব্বৰ নিৰ্দ্ধাৰিত কাৰ্য্যসূচীমতে যোৱা জুন মাহৰ ২৪ তাৰিখৰ পৰা অক্টোবৰ মাহৰ ২৮ তাৰিখলৈকে মুঠ ৬২ দিন কাৰ্য্য কৰা হৈছিল যদিও পৰবৰ্ত্তী সিদ্ধান্ত মতে অক্টোবৰৰ ৮ তাৰিখলৈ আগুৱাই অনা হ'ল। উক্ত প্ৰাৰ্থী সকলক লিখিত পৰীক্ষাত শতকৰা ৫০ ভাগ নম্বৰ পোৱা সকলকহে মৌখিক সাক্ষাৎকাৰ লবলৈ মতা হৈছিল। কিন্তু আচৰিত কথা যে পূৰ্ব্বৰ সিদ্ধান্ত হঠাৎ বাতিল কৰি পুনৰ ২৫০ জন প্ৰাৰ্থীক সাক্ষাৎ লবলৈ মতা হৈছে। ভিতৰুৱাকৈ খবৰ কৰি জানিব পৰা গ'ল যে বিশেষ এগৰাকী ( লিখিত পৰীক্ষাত ৫০ তকৈ কম নম্বৰ পোৱা ) প্ৰাৰ্থীক মাতিব লগা হোৱাৰ কাৰণে লগতে আৰু ২৪৯ জনকো সাক্ষাৎকাৰৰ কাৰণে মাতিব লগা হ'ল। এই খিনিতে উল্লেখ কৰিব পাৰি যে পৰিষদৰ খালি পদ মাত্ৰ ৩০/৪০ টা মানহে আছে। আৰু তাৰ কাৰণে মুঠ ২০০ জন প্ৰাৰ্থীক সাক্ষাৎকাৰৰ কাৰণে মতা হলেই যথেষ্ট আছিল। কিন্তু

অনাহূকত ১৮৬৬ জন প্ৰাৰ্থীক সাক্ষাৎ লবলৈ মাতি পৰিষদৰ ধনৰ অপব্যৱহাৰ লগতে প্ৰাৰ্থী সকলক হাৰাশাস্তি কিয় কৰিলে ?

দ্বিতীয়তে পুনৰ ২৫০ জন উত্তীৰ্ণ নোহোৱা প্ৰাৰ্থীক কিয় আৰু কাৰ স্বাৰ্থৰ খাতিৰত সাক্ষাৎ লবলৈ মতা হ'ল।

এনেকুৱা দুৰ্নীতি হ'লে অসমৰ জনসাধাৰণে কিৰূপ ন্যায় বিচাৰ পাবনে? আমি দাবী কৰো ইয়াৰ ন্যায় বিচাৰ হ'ব লাগে।

ইতি—

আপোনাৰ বিশ্বাসী

শ্ৰীমাধৱ ভৰালী

সম্পাদক, নামনি অসম,

অঃ বাঃ বিঃ পঃ, চঃ শ্ৰেঃ কঃ সঃ

নাৰেঙ্গী, গুৱাহাটী-২৬

****



## সমন্বয় ৰক্ষী সমিতি

বিষয়—

## দৰ্মহা সম্পৰ্কে

১৬-১০-৮৭ ইং তাৰিখে তলত দিয়া সংগঠন বিলাকৰ নাৰেঙ্গী মুখ্য কাৰ্য্যালয়ত বিদ্যুৎ কৰ্মী সমন্বয় কমিটিৰ এখন সভা বহে। সভাত সভাপতিত্ব কৰে শ্ৰীদীনেশ চন্দ্ৰ তালুকদাৰে। ইংৰাজী ১৬-১০-৮৭ তাৰিখৰ সমন্বয় ৰক্ষী সমিতিৰ সভাই নিম্নলিখিত প্ৰস্তাৱসমূহ গৃহিত কৰে।

(১) আজিৰ সভাই অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ (আই-আৰ) ৪৬/৮৭/৮৮-২১-৯ ৮৭ চিঠি খনৰ মতে সকলো বিলাক সংগঠনৰ লগত দ্বিপাক্ষিক আলোচনাৰে দৰ্মহা সংশোধনৰ প্ৰস্তাৱটো ওলগ জনায়।

(২) আজিৰ সভাই পৰিষদে পুনৰ পে কমিটি নিযুক্তি দিবলৈ প্ৰস্তাৱ আগবঢ়োৱাত আচাৰ্য্য প্ৰকাশ কৰে। গতিকে টি ই-চি নাইবা পে-কমিটিক দৰ্মহা সংশোধনীৰ বাবে কৰ্তৃত্ব নিদিয়ে।

(৩) পৰিষদৰ তৰফৰ পৰা যি সকল পৰিষদৰ প্ৰতিনিধিক সংগঠন সমূহৰ লগত দ্বি-পাক্ষিক আলোচনাৰে দৰ্মহা সংশোধনীৰ ক্ষেত্ৰত সম্পূৰ্ণ কৰ্তৃত্ব দি দায়িত্ব দিব লাগে।

(৪) পৰিষদৰ দৰ্মহা সংশোধনীৰ দায়িত্বভাৰ লোৱা প্ৰতিনিধি দিয়া সকলে অকলশৰীয়াকৈ কোনো সংগঠনৰ লগত দৰ্মহা সংশোধনৰ হৈ আলোচনা নকৰিবলৈ সকিয়াই দিয়ে। সভাই সকলো বিলাক সংগঠনক নিমন্ত্ৰণ কৰি একেলগে আলোচনাৰ ব্যৱস্থা কৰাৰ বাবে বিদ্যুৎ পৰিষদক দাবী জনায়।

(৫) প্ৰত্যেক সংস্থাৰ এজনকৈ প্ৰতিনিধি দৰ্মহা সংশোধনীৰ ভিত্তীৰ ওপৰত আলোচনা কৰি এটা পৰামৰ্শ দাঙি ধৰাৰ অনুমোদনৰ বাবে অহা ২৪-১০-৮৭ ইংৰাজী তাৰিখে দিনৰ ১ বজাত মুখ্য কাৰ্য্যালয়ত অনুষ্ঠিত হব। উক্ত প্ৰতিনিধি সকলক সভাত উপস্থিত থকাৰ বাবে অনুৰোধ জনোৱা হ'ল।

(৬) দৰ্মহা সংক্ৰান্তত বিদ্যুৎ সমন্বয় ৰক্ষী সমিতিক এটা প্ৰতিলিপি দিবলৈ দাবী জনোৱা হ'ল।

স্বাক্ষৰ—
শ্ৰীদীনেশ চন্দ্ৰ তালুকদাৰ
সভাপতি
সমন্বয় ৰক্ষী সমিতি

+++



## ইং ১৯-১২-৮৭ তাৰিখে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ পৰিচালনা আৰু অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সংঘৰ মাজত হোৱা আলোচনাৰ টোকা ঃ-

কৰ্তৃপক্ষৰ হৈ ঃ—

১। শ্ৰীযতীন্দ্ৰ নাথ শইকীয়া, সচিব,
২। শ্ৰীবোধেন্দ্ৰ নাথ শৰ্মা, মুখ্য উদ্যোগীক সম্পৰ্ক ৰক্ষী ব্যৱস্থাপক ও আইন বিষয়া,
৩। শ্ৰীমনোৱাৰ উদ্দিন আহমেদ, উপ-কৰ্মচাৰী ব্যৱস্থাপক ( উঃ সঃ )
৪। শ্ৰীপদ্মধৰ গোস্বামী, প্ৰশাসনিক বিষয়া ( কৰ্মচাৰী )
৫। শ্ৰীকৰুণা দেৱ, প্ৰশাসনিক বিষয়া ( কল্যাণ )
৬। শ্ৰীগয়া শৰ্মা, অধীক্ষক ( উঃ সঃ )

ইউনিয়নৰ হৈ ঃ—

১। শ্ৰীহৰ্ষ বাহাদুৰ শ্ৰেষ্ঠা, উপদেষ্টা,
২। শ্ৰীদীনেশ তালুক দাৰ, সভাপতি,
৩। শ্ৰীভবেন তালুকদাৰ, উপ-সভাপতি,
৪। শ্ৰীঅমূল্য চন্দ্ৰ দাস, সাঃ সম্পাদক,
৫। শ্ৰীমদন ডেকা। উপ-সাঃ সম্পাদক,
৬। শ্ৰীগোপাল হীৰা, সহঃ সম্পাদক,
৭। শ্ৰীকেশৱ নাথ, সদস্য
৮। শ্ৰীপ্ৰতাপ নেওগ, সদস্য,
৯ শ্ৰীদীনেশ বৰা, সদস্য,
১০। শ্ৰীহৰেন্দ্ৰ কুমাৰ, সদস্য,
১১। শ্ৰীমহেন্দ্ৰ বৰা, আৰু অন্যান্য,

১। সংঘই মত প্ৰকাশ কৰে যে সহায়ক আৰু পিয়নসকলৰ একে দৰ্মহা আৰু সহায়কসকলৰ পদোন্নতিৰ স্তৰ পিয়নতকৈ বেছি হোৱা স্বত্বেও জ্যেষ্ঠ পিয়ন হবলৈ ১২ বছৰৰ চাকৰিকাল আৰু জ্যেষ্ঠতাৰ কোনো সামঞ্জস্য নাই। গতিকে সংঘই এই বৈষম্য দূৰীকৰণত বোৰ্ড কৰ্তৃপক্ষক টানি অনুৰোধ কৰে।

বোৰ্ড পৰিচালনাই এই বৈষম্য দূৰ কৰাৰ আশ্বাস দিয়ে।

২। সংঘই মুখ্য কাৰ্য্যালয়সমূহত য'ত ৰেকৰ্ড চৰটাৰ ( Record Scrter ) নাই তাত ৰেকৰ্ড চৰটাৰ পদ সৃষ্টি কৰিবলৈ আৰু অপাৰেশ,ন আৰু মেইনটেনেন্স ( Operation & Mainteiice ) ৰ চক্ৰ সমূহত ৰেকৰ্ড পদ সৃষ্টি কৰিবলৈ

অনুৰোধ জনায়।

কৰ্ত্তৃপক্ষই মূখ্য কাৰ্য্যালয় সমূহত য'ত তেনে পদ বৰ্ত্তমান নাই তাত ৰেকৰ্ড চৰটাৰ পদ সৃষ্টি কৰাৰ কাৰণে চেয়াৰমেনক পৰামৰ্শ দিব বুলি জনায়। লগতে এইটো জনোৱা হয় যে অপাৰেশ্যন আৰু মেইনটেনেঞ্চ চক্ৰ সমূহত ৰেকৰ্ড চৰটাৰ পদ যাতে সৃষ্টি কৰিব পৰা যায় তাৰ প্ৰাৰম্ভিক ব্যৱস্থা অহা জানুৱাৰী মাহৰ ভিতৰতে গ্ৰহণ কৰা হ'ব।

৩। মাইক অপাৰেটৰ; ডিভিজনেল মেচিন অপাৰেটৰ, ব্ৰেডমা অপাৰেটৰ, বাছ কণ্ডাকটৰ আদি পদসমূহৰ পদোন্নতিৰ এটা সু-ব্যৱস্থা লব লাগে বুলি সংঘই দাবী জনায়।

কৰ্ত্তৃক্ষপই এই সম্পৰ্কত তেনে এটা মাধ্যম ( Channel ) ইতিমধ্যে তৈয়াৰ কৰা হৈছে বুলি জানিবলৈ দিয়ে। ৰ্ডৰ অনুমোদন ক্ৰমে সেই মাধ্যম কাৰ্য্যকৰী কৰিব পৰা হ'ব বুলি জনোৱা হয়।

৪। ইউনিয়নে গেছটেটনাৰ মেচিন য'ত য'ত আছে তাত ডুপ্লিকেটিং মেচিন অপাৰেটৰ ( Duplicating Machine operator ) পদ সৃষ্টি কৰিবলৈ দাবী জনায়।

কৰ্ত্তৃপক্ষই তেনে মেচিন য'ত য'ত আছে তাত সকলো দিশ পৰীক্ষা কৰি আৱশ্যকীয় ক্ষেত্ৰত তেনে পদ সৃষ্টি কৰাৰ প্ৰস্তাৱ কাৰ্যকৰীকৰণৰ ওপৰত মতামত দিব।

৫। সন্থাই অৰ্হতা সম্পন্ন ৪ৰ্থ শ্ৰেণী লোকক বিভাগীয় কৰ্মচাৰীৰ বাবে ৩য় শ্ৰেণীৰ পদৰ বাবে সংৰক্ষিত আসনসমূহত অগ্ৰাধিকাৰ দিয়াৰ বাবে আৰু অনতিপলমে যাতে তেনে সংৰক্ষিত আসনসমূহত বিভাগীয় ৪ৰ্থ শ্ৰেণীৰ অৰ্হতা থকা লোকৰ দ্বাৰা যাতে পূৰণ কৰিব পাৰে তাৰ আশু ব্যৱস্থা লোৱাৰ দাবী তোলে।

কৰ্ত্তৃপক্ষৰ পৰা কোৱা হয় যে শতকৰা ২৫ শতাংশ তেনে পদত বিভাগীয় অৰ্হতা থকা লোকৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত নিৰ্বাচিত কৰা হয়। এই বিষয়ত আৰু অধিক ক্ৰিয়াশীল হবৰ বাবে চক্ৰসমূহক অৰ্হতাসম্পন্ন লোকসকলৰ সকলো নথি পত্ৰ চাই চক্ৰ ভিত্তিত পৰীক্ষা পাতি আঞ্চলিক ভিত্তিত নিয়োগ সমিতিৰ ( Zonal Selection Committee ) অনুমোদনাৰ্থে পেছ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ প্ৰস্তাৱ পৰীক্ষা কৰি সিদ্ধান্ত লোৱা হ'ব।

৬। পৰিষদৰ চিকিৎসালয় সমূহত থকা ড্ৰেচাৰ/এটেণ্ডেণ্ট আদিক পোছাক দিব লাগে বুলিও ইউনিয়নে দাবী জনায়।

কৰ্ত্তৃপক্ষই চৰকাৰী নীতি অনুসৰি তেনে পোছাক দিয়াৰ ব্যৱস্থা লোৱা হব বুলি আশ্বাস দিয়ে।

৭। বৈদ্যুতিক দুৰ্ঘটনাত নিহত কৰ্মী শ্ৰীগোলক কলিতা ( গুৱাহাটী বৈদ্যুতিক সংমণ্ডলৰ কেপিটেল উপ-সংমণ্ডলত কাম কৰা ) ৰ পৰিয়ালৰ যি কোনো এজনক নিয়োগ দিয়াৰ বাবে দাবী তোলে।

কৰ্ত্তৃপক্ষই এই বিষয়টো বিবেচনাধীন অৱস্থাত আছে বুলি জনায়। মৃত কৰ্মচাৰীৰ পৰিয়ালৰ লোকক এককালীন সাহৰ্য্যাৰ ( Ex-gratia ) পৰিবৰ্তে নিয়োগৰহে সুবিধা দিব লাগে সংঘই দাবী জনায়।

কৰ্ত্তৃপক্ষই এই বিষয়ত বৰ্তমান এক্স গ্ৰেচিয়াৰ (Ex-gratia ) ব্যৱস্থাৰ প্ৰচলন হৈছে বুলি জনায় আৰু এনে সাহাৰ্য্যৰ অধিক উন্নতিৰ বাবে প্ৰচেষ্টা চলায় থকাৰ কথা অৱগত কৰে।

৮। সংঘই পৰিষদৰ যিবোৰ ঠাইত বেৰেক টাইপৰ ঘৰ আছে তাত থকা সকলো কৰ্মচাৰীৰ পৰা বেলেগে ঘৰ ভাৰা কটা হয় বুলি জনায় আৰু তেনে মানদণ্ড নথকা ঘৰৰ পৰা প্ৰত্যেকৰে বেলেগে বেলেগে ঘৰ ভাৰা কটাৰ যুক্তি নাই বুলি কয়।

কৰ্ত্তৃক্ষপই এই বিষয়টো বিবেচনা কৰিব বুলি মত প্ৰকাশ কৰে।

৯। গুৱাহাটী চক্ৰৰ অধীনত ১৯৬৫ চনৰ পৰা কাম কৰি থকা পিয়ন শ্ৰীভবেন তালুকদাৰক পদোন্নতি নিদিয়াৰ কথা আৰু তেওঁৰ পিছৰ কৰ্মচাৰীক পদোন্নতি দিয়াৰ কথা উল্লেখ কৰি ইয়াৰ বিহীত ব্যৱস্থাৰ প্ৰতিকাৰ বিচাৰে।

মূখ্য ঔদ্যোগীক সম্পৰ্কীয় ব্যৱস্থাপকে এই বিষয়টো অনুধাৱন কৰি ব্যৱস্থা লোৱাৰ কথা অৱগত কৰে।

১০। আই, টি, আই শিক্ষাগত প্ৰাপ্ত ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ সহকাৰী কনিষ্ঠ অভিযন্তাৰ পদত মকৰল কৰা সম্পৰ্কত গহপুৰত ( ৫-৫-৮৭ ৰ আলোচনা ) হোৱা আলোচনাৰ পৰিপ্ৰেক্ষিতত লোৱা ব্যৱস্থাৰ কথা সংঘই জানিব বিচাৰিছে।

উত্তৰত কোৱা হয় যে এই সম্পৰ্কত পৰিষদে আলোচনা কৰিছিল। পৰিষদৰ সভাই অধিক তথ্য বিচৰাৰ কথা উল্লেখ কৰা হয়। পৰিষদক অধিক তথ্য যোগান ধৰা হব যাতে সু-ব্যৱস্থা লব পাৰে।

১১। গহপুৰত সুবিধাৰ্থে এম্বুলেন্সৰ পৰিবৰ্তে এখন গাড়ী দিয়াৰ বাবে অনুৰোধ কৰে।

কৰ্ত্তৃপক্ষই এই বিষয় পৰীক্ষা কৰি সংঘক জনাব বুলি কোৱা হয়।

১২। সংঘই যোৱা ইং ৫-৫-৮৭ তাৰিখে সংঘ আৰু চেয়াৰমেন মহোদয়ৰ লগত হোৱা আলোচনা আৰু তাৰ কাৰ্য্যবিৱৰণীৰ প্ৰতি দৃষ্টি আকৰ্ষিত কৰি কয় যে তেজপুৰৰ অধীক্ষক অভিযন্তাৰ পক্ষৰ পৰা তেখেতৰ পৰা এই সম্পৰ্কত লবলগীয়া ব্যৱস্থাৰ একোৱেই সুফল হোৱা নাই আৰু তাৰ বাবে আক্ষেপ প্ৰকাশ কৰে।

কৰ্ত্তৃপক্ষই এই বিষয়ত তেজপুৰ চক্ৰৰ অধীক্ষক অভিযন্তাৰ পক্ষৰ পৰা তেওঁ লবলগীয়া ব্যৱস্থাৰ এটি বিৱৰণ চেয়াৰমেন মহোদয়ৰ দৃষ্টিগোচৰ কৰাৰ অৰ্থে ১৫ দিনৰ ভিতৰত দাখিল কৰিবলৈ অনুৰোধ কৰিব বুলি কয়।

এই ক্ষেত্ৰত সংঘই মূখ্য ঔদ্যোগীক সম্পৰ্কৰক্ষী ব্যৱস্থাপকক গহপুৰলৈ যোৱাৰ বাবেও অনুৰোধ কৰে।

১৩। সংঘই লাংপি প্ৰকল্পৰ শ্ৰীদীপক বৰঠাকুৰৰ বদলীকৰণ সম্পৰ্কত উদ্ভৱ হোৱা অৱস্থাৰ বুজ লয়।

কৰ্ত্তৃপক্ষৰ পৰা কোৱা হয় যে এই বিষয়টো ঔদ্যোগীক সম্বন্ধীয় বিভাগৰ পৰা এসপ্তাহৰ ভিতৰতে ব্যৱস্থা লোৱা হ'ব।

১৪। সংঘই অসম চৰকাৰে ইতিমধ্যে ঘোষণা কৰা বিশেষ মৰগীয়া বানচ ( Special D A.) আৰু দৰ্মহা সংক্ৰান্তৰ অন্তঃবৰ্ত্তীকালীন অনুদান (Interim Relief ) অহা মাঘ বিহুৰ আগে আগে দিবলৈ দাবী জনায়।

কর্তৃপক্ষই এই বিষয়টো চেয়াৰমেন মহোদয়ৰ দৃষ্টিগোচৰ কৰাৰ কথা প্ৰকাশ কৰে।

১৫। সহায়কৰ পৰা জ্যেষ্ঠ সহায়কলৈ পদোন্নতি :—সংঘই আক্ষেপ কৰে যে বৰ্ডৰ পৰা যদিও পদোন্নতিৰ ক্ষেত্ৰত বিহীত ব্যৱস্থাৰ নিৰ্দেশনা আছে তথাপিও নগাওঁ, তেজপুৰ, যোৰহাট, চিলচৰ, বঙিয়া আৰু গুৱাহাটী বৈদ্যুতিক চক্ৰত, যোৰহাট ব্যৱহাৰিক চক্ৰ, টি, এণ্ড, টি, চক্ৰ আৰু লাংপি চক্ৰত ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থা পৰিলক্ষিত হোৱা নাই।

কর্তৃপক্ষই এই ক্ষেত্ৰত প্ৰশাসনিক নিৰ্দেশনাৰ যোগে উপযুক্ত ব্যৱস্থাৰ আশ্বাস দিয়ে।

১৬। চাকৰী কনফাৰমেশ্যন :—সংঘই কৰ্মীৰ স্থায়ীকৰণ কৰা সম্পৰ্কত বৰ্ডে ইতিমধ্যে কি ব্যৱস্থা লৈছে তাক জানিবৰ বাবে অনুৰোধ কৰে।

সংঘক জনোৱা হয় যে ৩ বছৰ চাকৰী সম্পূৰ্ণ কৰা কৰ্মীক স্থায়ীকৰণ কৰা সম্পৰ্কত ইতিমধ্যে নিৰ্দেশনা দিয়া হৈছে।

১৭। নিৰীক্ষন বিভাগত থকা অভিযোগ সমূহ :—নিৰীক্ষন বিভাগত সময়ে সময়ে চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সংঘই অভিযোগ দিয়া বিষয় সমূহৰ যেনে কঠিয়াতলিৰ উপ-সংমণ্ডল বিষয়াৰ বিপক্ষে দিয়া অভিযোগ, কাহিলিপাৰা কেন্দ্ৰীয় ভৰালৰ পৰা অন্তৰ্ধান হোৱা টিনপাতৰ বিষয় আদিৰ ওপৰত কি ব্যৱস্থা লোৱা হৈছে জানিবলৈ বিচাৰে।

এই সম্পৰ্কত নিৰীক্ষন বিভাগৰ লগত যোগাযোগ কৰি অভিযোগৰ স্থিতি সংঘক জনোৱাৰ আশ্বাস দিয়া হয়।

১৮। সংঘই লগতে শ্ৰীগোলক বৈশ্যৰ বিষয়টো আৰু শ্ৰীবলিৰাম সিংহৰ এল, টি, চিৰ টিকট হেৰোৱা বিষয়টো দাঙি ধৰে।

এই দুটা বিষয়ত কৰ্মচাৰী ব্যৱস্থাপকৰ যোগেদি উপযুক্ত ব্যৱস্থা লোৱা হ'ব বুলি কোৱা হয়।

১৯ সাময়িকভাৱে কাম কৰি থকা লোকৰ স্থায়ীকৰণ :—সংঘই ৬/৭ বছৰ ধৰি ছুটীৰ বিপৰীতে ( officiating leave vacancy ) কাম কৰি থকা কৰ্মচাৰী সকলক স্থায়ীকৰণ কৰাৰ বিষয়টো উত্থাপন কৰে।

বৰ্ড পৰিচালনাই সংঘক জানিব দিয়ে যে ছুটীৰ বিপৰীতে হোৱা খালী পদৰ বিপৰীতে কাম কৰা লোকৰ চাকৰি নিয়মিতকৰণ নীতি বৰ্ডত নাই।

সংঘই কয় যে ছুটীৰ বিপৰীতে দীৰ্ঘদিন ধৰি যিবোৰে চাকৰি কৰিছে—সেই সকলৰ অন্য চাকৰিৰ বাবে বয়সৰ সীমা অতিবাহিত হৈ গৈছে, এনেধৰণৰ কৰ্মীক বিশেষ বিবেচনা কৰি চাকৰি নিয়মিতকৰণৰ ব্যৱস্থা লব লাগে বুলি সংঘই অনুৰোধ কৰে। পৰিচালক প্ৰতিনিধিয়ে বিষয়টো কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰাৰ আশ্বাস দিয়ে।

২০। সংঘই নগাওঁৰ অধীক্ষক অভিযন্তাই দিয়া পত্ৰ নং SE^ /ESH/20/87/5582-85 lt. ८5.11.87 উল্লেখ কৰি কয় যে চি, পি, এফ'ৰ নম্বৰ নাপোৱা বাবে কৰ্মী কেইজনৰ আন আৰ্থিক অসুবিধাৰ সন্মুখীন হৈছে আৰু কিছু কৰ্মীৰ ইতিমধ্যে মৃত্যুও হৈছে।

পৰিচালক প্ৰতিনিধিয়ে মুখ্য গাননিক বিষয়াক বিষয়টো দৃষ্টিগোচৰ কৰা হ'ব বুলি জনায়।

২১। সংঘই চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ চাকৰিকাল ৬০ বছৰ পৰ্য্যন্ত বৃদ্ধি কৰিব লাগে বুলি দাবী জনায় আৰু এই কামৰ দায়িত্ব অধীক্ষক অভিযন্তা সকলক দিব লাগে বুলি অনুৰোধ কৰে।

উপযুক্ত চিকিৎসা পত্ৰৰ আৰু অৰ্হতাৰ ভিত্তিত চতুৰ্থ শ্ৰেণীৰ চাকৰিকাল এবছৰ এবছৰকৈ ৬০ বছৰলৈ বৃদ্ধি কৰাৰ ক্ষমতা চক্ৰসমূহলৈ যাতে বিকেন্দ্ৰীকৰণ কৰিব পৰা যায় সেই বিষয়ে পৰীক্ষা কৰা হ'ব বুলি জনোৱা হয়।

২২। এল, টি, চি, :—এল, টি চিৰ বিষয়ত সংঘক বৰ্ত্তমানৰ স্থিতি জানিবলৈ দিয়া হয়। আগৰ ১০ বছৰ চাকৰিৰ পৰিবৰ্তে ৩ বছৰ চাকৰি কৰা কৰ্মীকো এই ক্ষেত্ৰত সুবিধা দিয়া হৈছে বুলি জনোৱা হয়।

সংঘই কয় যে, ৫০ শতাংশ টকাৰে ভাৰত ভ্ৰমণ কৰা সম্ভৱ নহয়। সংঘক জানিবলৈ দিয়া হয় যে ৫০ শতাংশ ৰেলৰ টিকট কিনিবৰ বাবেহে দিয়া হৈছে। টিকট কিনাৰ পিচত বাকী থকা "আগধন" পোৱাৰ ব্যৱস্থা ৰখা হৈছে। সংঘই জনাই যে চতুৰ্থ শ্ৰেণী কৰ্মীৰ কাৰণে একেবাৰে ৮০ শতাংশ আগধন দিয়াৰ ব্যৱস্থা ৰখা উচিত, যিহেতু তেখেতসকল কম বেতনভোগী কৰ্মী। সংঘই আৰু কয় যে ভ্ৰমণৰ বাবে মাক দেউতাককো 'পৰিয়ালৰ" ( Family ) অন্তৰ্ভূক্ত কৰিব লাগে।

যিহেতু এল, টি, চি, অসম চৰকাৰৰ নীতি অনুসাৰে বৰ্ডত প্ৰয়োগ কৰা হৈছে, সেয়েহে চৰকাৰী নীতি পৰিবৰ্তন নোহোৱালৈকে বৰ্তমান ব্যৱস্থাৰ পৰিবৰ্তন কৰা বৰ্ডৰ কাৰণেঅসুবিধাজনক।

২৩। লাইচেন্স প্ৰাপ্ত সহায়কৰ ভাট্টা :—আই, টি, আই, প্ৰশিক্ষণ প্ৰাপ্ত সহায়ক সকলক আৰু অনুজ্ঞা পত্ৰ থকা সহায়ক সকলক বৰ্ডৰ নিৰ্দেশ মতে বিশেষ ভাট্টা দিয়াৰ ব্যৱস্থা আছে। সংঘই অভিযোগ কৰে যে এই বিশেষ ভাট্টা বহুত কৰ্মীয়ে পোৱাৰ পৰা বঞ্চিত হৈ আছে। বিষয়টো পৰীক্ষা কৰি যথাবিহিত ব্যৱস্থা লোৱা হ'ব বুলি পৰিচালক প্ৰতিনিধিয়ে কয়।

২৪। প্ৰকল্প ভাট্টা :—সংঘই প্ৰকল্প ভাট্টা ১০ শতাংশৰ পৰা ২০ শতাংশলৈ বৃদ্ধিৰ বাবে অনুৰোধ কৰে।

পৰিচালক প্ৰতিনিধিয়ে ১০ শতাংশৰ পৰা ২০ শতাংশলৈ প্ৰকল্পৰ ঠাই বিশেষে বৃদ্ধি কৰা ইতিমধ্যে হৈছে বুলি জানিবলৈ দিয়ে।

২৫। মেৰামতি :- আবাস গৃহ, অফিচ ঘৰ আদি সংঘই মেৰামতিৰ কাম ব্যৱহাৰিক বিভাগৰ পৰা বৈদ্যুতিক বিভাগলৈ অনাৰ প্ৰস্তাৱ দিয়ে সংঘই কয় যে এনে কৰিলে কামৰ ক্ষীপ্ৰতা বৃদ্ধি পাব আৰু কৰ্মীসকলে থকা ঘৰ আদিৰ বৰ্তমানত পোৱা অসুবিধাৰ পৰা মুক্তি হ'ব বুলি আশা প্ৰকাশ কৰে। সংঘই প্ৰস্তাৱ কৰে যে অন্তত ১০,০০০ টকালৈ মেৰামতি আদিৰ বাবে সংশ্লিষ্ট বৈদ্যুতিক বিভাগক ন্যস্ত কৰিব লাগে।

বিষয়টো চেয়াৰমেনৰ দৃষ্টিগোচৰ কৰা হব বুলি কোৱা হয়।

২৬। নিৰাপত্তামূলক সা সৰঞ্জাম : সংঘক কোৱা হয় নিৰাপত্তামূলক সা-সৰঞ্জাম যুগুত কৰি ৰাখিবৰ বাবে উপ-সংমণ্ডল বিষয়াক নিৰ্দেশ

দিয়া হৈছে আৰু এই নিৰ্দেশৰ নকল সংঘৰ জ্ঞাতাৰ্থে সংঘ সমূহলৈও দিয়া হৈছে। কৰ্তৃপক্ষই আশা কৰে যে ইউনিয়নৰ সকলো কৰ্মীয়ে এই সা-সৰঞ্জাম ব্যৱহাৰ কৰি বৈদ্যুতিক দুৰ্ঘটনাৰ হাৰ হ্রাস কৰিবৰ কাৰণে যাতে সহায় কৰে।

২৭। সংঘই অভিযোগ কৰে যে কাৰিকৰী উপ-কৰ্মচাৰী ব্যৱস্থাপকৰ পৰা তেখেতসকলে বিশেষ সেৱা লাভ কৰিব পৰা নাই। সেই সকলৰ পৰিৱৰ্তে অৰ্হতাসম্পন্ন বিষয়াক এনে পদত নিয়োগ কৰিব লাগে বুলি অনুৰোধ কৰে।

সংঘক জনিবলৈ দিয়া হয় যে বিষয়টো ইতি-মধ্যে বৰ্ড কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ হৈছে আৰু যথাবিহিত ব্যৱস্থা এই ক্ষেত্ৰত লোৱা হৈছে বুলি সংঘক বৰ্ড পৰিচালনাই জানিবলৈ দিয়ে।

২৮। গৃহ নিৰ্মাণৰ আগধন :-সংঘই গৃহ নিৰ্মা-ণৰ আগধন দিয়াত অনিয়ম হৈছে বুলি মত প্ৰকাশ কৰে। তেখেতসকলে কয় যে আগতে কৰা আবে-দন কাৰীক এই আগধন নিদি পিছত আবেদন কৰা কৰ্মীক আগধন দিয়াৰ অনেক দৃষ্টান্ত আছে।

পৰিচালনা পক্ষৰ পৰা কোৱা হয় যে যিসকল কৰ্মীৰ চাকৰিকাল অতি কম আৰু যাৰ প্ৰাকৃ-তিক দুৰ্যোগত বা গৃহ ক্ষতিগ্ৰস্ত হৈছে তেনে লোকৰ ক্ষেত্ৰত অগ্ৰাধিকাৰৰ ভিত্তিত আগধন দিয়াৰ নীতি আছে। এই নীতি কোন কোন কৰ্মীৰ ক্ষেত্ৰত ব্যাঘাট হৈছে তাৰ এখন তালিকা সংঘই দাখিল কৰিলে পৰীক্ষা কৰাত সুবিধা হব।

২৯। উৎসৱৰ আগধন :-সংঘক জনোৱা হয় যে বছৰেকত দুটা উৎসৱৰ কাৰণে ৪০০'০০ টকা আগধন দিয়াৰ ব্যৱস্থা আছে। সংঘই অনুৰোধ কৰে যে সকলো কৰ্মীক নিদিলেও অন্তত চতুৰ্থ শ্ৰেণীৰ কৰ্মীক তিনিটা উৎসৱৰ আগত আগধন দিবলৈ অনুৰোধ কৰে।

বিষয়টো পৰীক্ষা কৰি চোৱা বুলি সংঘক জানিবলৈ দিয়া হয়।

৩০। চেকশ্বনেল এচিচটেণ্টৰ অধিক দায়িত্ব : সংঘই কয় যে Sectional Asstt ৰোৰ ব্যৱহাৰিক ( civil ) কাম-কাজত ওতঃপ্ৰোতঃ ভাবে জড়িত। তেখেতসকলে ব্যৱহাৰৰ সকলো সামগ্ৰী আদি ঠিকাদাৰক যোগান দিব লাগে আৰু কামখিনি তদাৰকো কৰিব লাগে। কিন্তু ঠিকাদাৰৰ সকলো পা পইচা Sectional Asstt. ৰ কোনো ৰিপোৰ্ট আদি নোহোৱাকৈ আদায় দিয়াৰ নিয়ম চলি আছে। এনে ব্যৱস্থা দুৰ্নীতি বৃদ্ধি হোৱাত সহায় কৰিছে, আৰু লগতে Sectional Asstt. সকলৰ নৈতিকতাত ব্যাঘাট জন্মিছে। সংঘই অনুৰোধ কৰে যে এনে ব্যৱস্থা ভংগ কৰি শাখা সহায়ক ( Sectional Asstt. )ৰ ৰিপোৰ্ট দিয়াৰ আদেশ দিব লাগে।

বিষয়টোৰ যুক্তি বৰ্ড পৰিচালনাই গুৰুত্ব আৰোপ কৰে আৰু যথাবিহিত ব্যৱস্থাৰ বাবে কৰ্তৃপক্ষৰ ওচৰত দাঙি ধৰাৰ আশ্বাস দিয়ে।

৩১। ঘৰ ভাৰা আদায় :—সংঘই অৱগত কৰায় যে গুঃ অধীক্ষক অভিযন্তাৰ অধীনত ৩৪ জন কৰ্মীয়ে অস্থায়ী ঘৰত বাস কৰি আছে। সেই সকলৰ ঘৰ ভাড়া বানচ এতিয়াও দিয়া হোৱা নাই।

সংঘক জনোৱা হয় যে বিষয়টো বিবেচনা-ধীন হৈ আছে.

৩২। তলৰ বিষয় সমূহ যিহেতু নীতিৰ ওপৰত প্ৰতিস্থিত সেই বিষয়সমূহ চেয়াৰমেনৰ দৃষ্টিগোচৰ কৰি আৱশ্যক হলে আলোচনা কৰি সিদ্ধান্ত লোৱাৰ প্ৰস্তাৱ সংঘই গ্ৰহণ কৰে :—

২ নং প্ৰস্তাৱ দ্বাদশ অধিবেশনৰ ইং ৭-৩-৮৭, চাময়গুৰি অধিবেশনৰ।
৫ নং " "
১১ নং " "
২৫ নং " "
২৬ নং " "
২৮ নং " "

প্ৰস্তাৱ ২১, ২২ দৰ্মহা সমিতিত দিবৰ কাৰণে পৰিচালনা পক্ষই কৰা প্ৰস্তাৱ সংঘই গ্ৰহণ কৰে।

২৮ নং প্ৰস্তাৱ :—
২৯ নং "
৩০ নং "
৩১ নং "
৩২ নং "
সংঘৰ ভিতৰুৱা কথা। সেয়েহে এই প্ৰস্তাৱসমূহ আলোচনা কৰা নহয়।

৩৩। চকিদাৰৰ চুটী :—সংঘই কয় যে বিশে-ষকৈ অফিচ চকিদাৰ সকলৰ সপ্তাহত বা বন্ধৰ দিনত ছুটীৰ ব্যৱস্থা নাই। তেওঁ ২৪ ঘণ্টা কামত থাকিব লাগে। এনে ক্ষেত্ৰত তেওঁলোক চাক-ৰিৰ স্বত্বৰ পৰা বঞ্চিত হৈ আহিছে। সপ্তাহত এদিন ছুটী পোৱা আৰু কামৰ সময়সীমা নিৰ্দ্ধা-ৰিত কৰা অতি আৱশ্যক। পৰিচালক প্ৰতি-নিধিয়ে কয় যে সপ্তাহত এদিন ছুটীৰ কাৰণে ব্যৱস্থা ৰখা হৈছে। চকিদাৰজনে এজন বদলি দি ছুটী উপভোগ কৰিব পাৰে। সংঘই কয় যে বহু ক্ষেত্ৰত বদলি চকিদাৰ বিষয়াৰ গ্ৰহণ-যোগ্য নহয় তেনে স্থলত চকিদাৰজন ছুটী পোৱাৰ পৰা বঞ্চিত হৈ আহিছে। দ্বিতীয়তে এজন মানুহক ২৪ ঘণ্টাই কামত নিয়োগ কৰি ৰখা-টোও নীতি বিৰোধী হৈছে।

পৰিচালনাই মন্তব্য কৰে যে কোনো চকি-দাৰ ছুটীত যাব নোৱাৰিলে বা তেওঁৰ বদলি চকিদাৰ গ্ৰহণ নকৰিলে ক্ষতিপূৰক মজুৰী দিয়াৰ ব্যৱস্থা ( Compensatory Allowance ) আছে। ২৪ ঘণ্টা নিয়োগৰ ওপৰত কোৱা হয় যে এজন চকিদাৰৰ সময় ১২ ঘণ্টা বান্ধি দিয়া হৈছে। সংঘই এই কথা মানি লবলৈ অপৰাগ হয় আৰু মত প্ৰকাশ কৰে যে যদিও ১২ ঘণ্টা সময় সীমা বান্ধি দিয়া হৈছে ৰাতি আৰু দিন দুয়োভাগতে চকিদাৰজন সজাগ থাকিব লাগে। এনে ক্ষেত্ৰত ১২ ঘণ্টা কৰ্ত্তব্যৰ সময়ৰ বিশেষ ভাট্টা নাই।

বিষয়টো পৰীক্ষা কৰি কি ব্যৱস্থা গ্ৰহণ কৰা উচিত তাৰ এটা সিদ্ধান্তত সোনকালে উপনীত হব পাৰিব বুলি পৰিচালক প্ৰতিনিধিয়ে মত পোষণ কৰে।

দিয়া হৈছে আৰু এই নিৰ্দেশৰ নকল সংঘৰ জ্ঞাতাৰ্থে সংঘ সমূহলৈও দিয়া হৈছে। কৰ্তৃপক্ষই আশা কৰে যে ইউনিয়নৰ সকলো কৰ্মীয়ে এই সা-সৰঞ্জাম ব্যৱহাৰ কৰি বৈদ্যুতিক দুৰ্ঘটনাৰ হাৰ হ্ৰাস কৰিবৰ কাৰণে যাতে সহায় কৰে।

২৭। সংঘই অভিযোগ কৰে যে কাৰিকৰী উপ-কৰ্মচাৰী ব্যৱস্থাপকৰ পৰা তেখেতসকলে বিশেষ সেৱা লাভ কৰিব পৰা নাই। সেই সকলৰ পৰিৱৰ্তে অৰ্হতাসম্পন্ন বিষয়াক এনে পদত নিয়োগ কৰিব লাগে বুলি অনুৰোধ কৰে।

সংঘক জনিবলৈ দিয়া হয় যে বিষয়টো ইতিমধ্যে বৰ্ড কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ হৈছে আৰু যথাবিহিত ব্যৱস্থা এই ক্ষেত্ৰত লোৱা হৈছে বুলি সংঘক বৰ্ড পৰিচালনাই জানিবলৈ দিয়ে।

২৮। গৃহ নিৰ্মাণৰ আগধন :-সংঘই গৃহ নিৰ্মাণৰ আগধন দিয়াত অনিয়ম হৈছে বুলি মত প্ৰকাশ কৰে। তেখেতসকলে কয় যে আগতে কৰা আবেদন কাৰীক এই আগধন নিদি পিছত আবেদন কৰা কৰ্মীক আগধন দিয়াৰ অনেক দৃষ্টান্ত আছে।

পৰিচালনা পক্ষৰ পৰা কোৱা হয় যে যিসকল কৰ্মীৰ চাকৰিকাল অতি কম আৰু যাৰ প্ৰাকৃতিক দুৰ্যোগত বা গৃহ ক্ষতিগ্ৰস্ত হৈছে তেনে লোকৰ ক্ষেত্ৰত অগ্ৰাধিকাৰৰ ভিত্তিত আগধন দিয়াৰ নীতি আছে। এই নীতি কোন কোন কৰ্মীৰ ক্ষেত্ৰত ব্যাঘাট হৈছে তাৰ এখন তালিকা সংঘই দাখিল কৰিলে পৰীক্ষা কৰাত সুবিধা হব।

২৯। উৎসৱৰ আগধন :-সংঘক জনোৱা হয় যে বছৰেকত দুটা উৎসৱৰ কাৰণে ৪০০'০০ টকা আগধন দিয়াৰ ব্যৱস্থা আছে। সংঘই অনুৰোধ কৰে যে সকলো কৰ্মীক নিদিলেও অন্তত চতুৰ্থ শ্ৰেণীৰ কৰ্মীক তিনিটা উৎসৱৰ আগত আগধন দিবলৈ অনুৰোধ কৰে।

বিষয়টো পৰীক্ষা কৰি চোৱা বুলি সংঘক জানিবলৈ দিয়া হয়।

৩০। চেকশ্বনেল এচিচটেণ্টৰ অধিক দায়িত্ব : সংঘই কয় যে Sectional Asstt. বোৰ ব্যৱহাৰিক ( civil ) কাম-কাজত ওতঃপ্ৰোতঃ ভাবে জড়িত। তেখেতসকলে ব্যৱহাৰৰ সকলো সামগ্ৰী আদি ঠিকাদাৰক যোগান দিব লাগে আৰু কামখিনি তদাৰকো কৰিব লাগে। কিন্তু ঠিকাদাৰৰ সকলো পা পইচা Sectional Asstt. ৰ কোনো ৰিপোৰ্ট আদি নোহোৱাকৈ আদায় দিয়াৰ নিয়ম চলি আছে। এনে ব্যৱস্থা দুৰ্নীতি বৃদ্ধি হোৱাত সহায় কৰিছে, আৰু লগতে Sectional Asstt. সকলৰ নৈতিকতাত ব্যাঘাট জন্মিছে। সংঘই অনুৰোধ কৰে যে এনে ব্যৱস্থা ভংগ কৰি শাখা সহায়ক ( Sectional Asstt. ) ৰ ৰিপোৰ্ট দিয়াৰ আদেশ দিব লাগে।

বিষয়টোৰ যুক্তি বৰ্ড পৰিচালনাই গুৰুত্ব আৰোপ কৰে আৰু যথাবিহিত ব্যৱস্থাৰ বাবে কৰ্তৃপক্ষৰ ওচৰত দাঙি ধৰাৰ আশ্বাস দিয়ে।

৩১। ঘৰ ভাৰা আদায় :—সংঘই অৱগত কৰায় যে গুঃ অধীক্ষক অভিযন্তাৰ অধীনত ৩৪ জন কৰ্মীয়ে অস্থায়ী ঘৰত বাস কৰি আছে। সেই সকলৰ ঘৰ ভাড়া বানচ এতিয়াও দিয়া হোৱা নাই।

সংঘক জনোৱা হয় যে বিষয়টো বিবেচনাধীন হৈ আছে।

৩২। তলৰ বিষয় সমূহ যিহেতু নীতিৰ ওপৰত প্ৰতিস্থিত সেই বিষয়সমূহ চেয়াৰমেনৰ দৃষ্টিগোচৰ কৰি আৱশ্যক হলে আলোচনা কৰি সিদ্ধান্ত লোৱাৰ প্ৰস্তাৱ সংঘই গ্ৰহণ কৰে :—

২ নং প্ৰস্তাৱ দ্বাদশ অধিবেশনৰ ইং ৭-৩-৮৭, চামগুৰি অধিবেশনৰ।
৫ নং " "
১১ নং " "
২৫ নং " "
২৬ নং " "
২৮ নং " "

প্ৰস্তাৱ ২১, ২২ দৰ্মহা সমিতিত দিবৰ কাৰণে পৰিচালনা পক্ষই কৰা প্ৰস্তাৱ সংঘই গ্ৰহণ কৰে।

| | |
|---|---|
| ২৮ নং প্ৰস্তাৱ :— | সংঘৰ ভিতৰুৱা কথা। সেয়েহে এই প্ৰস্তাৱসমূহ আলোচনা কৰা নহয়। |
| ২৯ নং " | |
| ৩০ নং " | |
| ৩১ নং " | |
| ৩২ নং " | |

৩৩। চকিদাৰৰ চুটী :—সংঘই কয় যে বিশেষকৈ অফিচ চকিদাৰ সকলৰ সপ্তাহত বা বন্ধৰ দিনত ছুটীৰ ব্যৱস্থা নাই। তেওঁ ২৪ ঘণ্টা কামত থাকিব লাগে। এনে ক্ষেত্ৰত তেওঁলোক চাকৰিৰ স্বত্বৰ পৰা বঞ্চিত হৈ আহিছে। সপ্তাহত এদিন ছুটী পোৱা আৰু কামৰ সময়সীমা নিৰ্দ্ধাৰিত কৰা অতি আৱশ্যক। পৰিচালক প্ৰতিনিধিয়ে কয় যে সপ্তাহত এদিন ছুটীৰ কাৰণে ব্যৱস্থা ৰখা হৈছে। চকিদাৰজনে এজন বদলি দি ছুটী উপভোগ কৰিব পাৰে। সংঘই কয় যে বহু ক্ষেত্ৰত বদলি চকিদাৰ বিষয়াৰ গ্ৰহণযোগ্য নহয় তেনে স্থলত চকিদাৰজন ছুটী পোৱাৰ পৰা বঞ্চিত হৈ আহিছে। দ্বিতীয়তে এজন মানুহক ২৪ ঘণ্টাই কামত নিয়োগ কৰি ৰখাটোও নীতি বিৰোধী হৈছে।

পৰিচালনাই মন্তব্য কৰে যে কোনো চকিদাৰ ছুটীত যাব নোৱাৰিলে বা তেওঁৰ বদলি চকিদাৰ গ্ৰহণ নকৰিলে ক্ষতিপূৰক মঞ্জুৰী দিয়াৰ ব্যৱস্থা ( Compensatory Allowance ) আছে। ২৪ ঘণ্টা নিয়োগৰ ওপৰত কোৱা হয় যে এজন চকিদাৰৰ সময় ১২ ঘণ্টা বান্ধি দিয়া হৈছে। সংঘই এই কথা মানি লবলৈ অপৰাগ হয় আৰু মত প্ৰকাশ কৰে যে যদিও ১২ ঘণ্টা সময় সীমা বান্ধি দিয়া হৈছে ৰাতি আৰু দিন দুয়োভাগতে চকিদাৰজন সজাগ থাকিব লাগে। এনে ক্ষেত্ৰত ১২ ঘণ্টা কৰ্ত্তব্যৰ সময়ৰ বিশেষ ভাট্টা নাই।

বিষয়টো পৰীক্ষা কৰি কি ব্যৱস্থা গ্ৰহণ কৰা উচিত তাৰ এটা সিদ্ধান্তত সোনকালে উপনীত হব পাৰিব বুলি পৰিচালক প্ৰতিনিধিয়ে মত পোষণ কৰে।

৩৪। মূখ্য গাণনিক বিষয়াৰ কাৰ্য্যালয়ত ডাফটৰী পদ এটা বহু দিন ধৰি খালী হৈ থকা বুলি সংঘই জনায়, যদিও সেই পদ পূৰণ কৰিবৰ কাৰণে অৰ্হতা থকা পিয়ন আছে তথাপি সেই পদ পূৰণ নকৰাৰ অৰ্থ সংঘই বুজিব পৰা নাই।

সংঘই এনেধৰণৰ অপূৰক পদ মূখ্য অভিযন্তা ( নক্সা ও ব্যৱহাৰিক ), কেন্দ্ৰীয় স.মণ্ডলত আছে বুলি সংঘই তথ্য দাঙি ধৰে।

বিষয়টো মূখ্য গাণনিক বিষয়া আদিৰ দৃষ্টি গোচৰলৈ অনা হব বুলি কোৱা হয়।

৩৫। সংঘই আক্ষেপ কৰি কয় যে সংঘৰ বিষয়ববীয়া সকলে সময় আৰু প্ৰয়োজন অনুসৰি পৰিষদৰ মূখ্য অভিযন্তা, সদস্য অধীক্ষক অভিযন্তা আদিক লগ ধৰিব নোৱাৰে যি সমস্যা সমাধানত অসুবিধা হয়।

পৰিচালনা পক্ষই কয় যে সমস্যা সমাধানৰ কাৰণে বিভিন্ন স্তৰত আলোচনা কৰা নীতি আছে। কিন্তু এই নীতি কাৰ্য্যকৰীকৰণত ব্যাঘাট জন্মিল। সংঘৰ সহযোগত স্তৰ বিশেষে আলোচনাৰ পথ তৈয়াৰ কৰি অনেক সমস্যা তলৰ স্তৰত সমাধান কৰিব পৰা হব। এই বিষয়ে সংঘৰ মত সম্পূৰ্ণৰূপে দাঙি ধৰিবলৈ সংঘক অনুৰোধ কৰা হয়।

৩৬। সংঘই আৰু জনায় যে বহুতো ক্ষেত্ৰত পৰিষদত যোগান ধৰা সামগ্ৰী নিম্নস্তৰৰ আৰু ওজনত তাৰতম্য হোৱা দেখা যায়। ইয়াৰ ফলত পৰিষদৰ যথেষ্ট হানি হোৱা দেখা গৈছে। সংঘই অনুৰোধ কৰে যে বিজ্ঞানসম্মত কৌশল প্ৰয়োগ কৰি এনে ক্ষতি ধৰা পেলোৱাত অতি শীঘ্ৰেই বৰ্ড কৰ্তৃপক্ষই ব্যৱস্থা লব লাগে।

—●—


বিজুলীৰ চাকি জ্বলিব ঘৰে ঘৰে
কাৰ সাধনাত সুন্দৰ নাম্নি
জগত পোহৰ কৰে
সেই বিজুলি জ্বলক আজি
গাৱঁৰ ঘৰে ঘৰে।

—জ্যোতি প্ৰসাদ—

অসমৰ ২২,’৯৯৫ খন পঞ্জীয়নভুক্ত গাঁৱৰ ১৬, ৪৫২ খনলৈ ( অৰ্থাত মুঠ গাঁৱৰ ৭৪ ৭৯ শতাংশলৈ ) যোৱা ডিচেম্বৰৰ, ১৯৮৭ পৰ্য্যন্ত বিদ্যুৎ সম্প্ৰাসাৰন কৰা হৈছে। আশা কৰা হৈছে যে অহা ১৯৯০ চনৰ ভিতৰত অসমৰ সকলো গাওঁ বিজুলীৰ পোহৰেৰে আলোকিত হব।

# অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ

( ৰাজিক বিদ্যুৎ পৰিষদৰ তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়াৰ দ্বাৰা প্ৰচাৰিত )





Office—23583
Fac—24:99.

*With best compliments from*

# M/s Electrical Manufacturing Corporation.

MANUFACTURER OF TRANSFORMERS

FACTORY
Glass Factory ( Fatasil )
Guwhati—781009.

OFFICE
S.R.C.B. ROAD.
Fancy Bazar.
Guwahati—781001.

# দিশপুৰ মটৰ প্ৰশিক্ষন কেন্দ্ৰ

## জাপাৰিগোগ দিশপুৰ,

গুৱাহাটী—৬

মটৰ গাড়ী চলোৱাৰ প্ৰশিক্ষন দিয়া এক মাত্ৰ চৰকাৰী স্বীকৃতি পাপ্ত অনুষ্থান। শীঘ্ৰে যোগা-যোগ কৰক। নাম ভৰ্ত্তিৰ কাম চলি আছে।

*WITH BEST*
*COMPLIMENTS FROM :*

## North East Cables & Conductors Pvt Ltd.

A. T. ROAD.
ASSAM

JORHAT—785001.
GRAM—NECCON.

MANUFACTURER OF CABLES & CONDUCTORS.

*WITH BEST*
*COMPLIMENTS*
*FROM :*

## M/S TECHNOVEL

MAKUM ROAD
Tinsukia—786125

GRAM—TECHNO
PHONE- 1755.

MANUFACTURER OF TRANSFORMERS

ফোন নং—৩১১৭৪

কলিতা উদ্যোগ

ফটাশিল আমবাৰী, গুৱাহাটী—৭৮১০২৫

পঞ্জীয়ন নং—০২/০৫/০১৭৫১ পি, এম, টি

এচ, এচ, আই,

অসম চৰকাৰ

Phone : 31174

KALITA INDUSTRIES

FATASIL AMBARI

GUWAHATI—781025.

ভৰালৰ সামগ্ৰীৰ ক্ৰয় পঞ্জীয়ন নং

আই, এচ, পি, ( এচ, এচ, আই ) ১৮/৭৯

চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সুদক্ষ ঠিকাদাৰ ঃ লোহজাতীয় সা-সমগ্ৰী প্ৰস্তুত কাৰোতা, বন্দবস্তী আৰু যোগান ধৰোতা ॥

ৰাইজৰ সেৱাত

## ॥ কলিতা ইণ্ডাষ্ট্ৰীজ ॥

### ফটাশিল আমবাৰী, গুৱাহাটী—২৫

অভিজ্ঞ থলুৱা লোকৰ দ্বাৰা সংগঠিত—

সকলো ধৰণৰ লোহ সা-সমগ্ৰী, উচ্চমান বিশিষ্ট বৈদ্যুতিক সা-সৰঞ্জাম, বিভিন্ন আকাৰৰ ক্লেম, এল, টি, ক্ৰচ আৰ্ম, চাব ষ্টেচন টাৱাৰ আদি প্ৰস্তুত কৰোত'।

বন্দবস্তী আৰু যোগান ধৰোতা নিৰ্ভৰযোগ্য থলুৱা প্ৰতিষ্ঠান। চৰকাৰী অনুষ্ঠানসমূহেও আমাৰ পৰা কিছুপৰিমাণে, যেনেঃ - অসম সচিবালয়, জন-স্বাস্থ্য বিভাগ, অসম বিদ্যুৎ পৰিষদ আদিয়েও আমাৰ লগত কিছু যোগাযোগ ৰাখিছে।

আমি সকলো ধৰণৰ ষ্টীল আলমাৰী, ফাৰ্ণিচাৰ আদি ঘৰুৱা আচবাব যোগান ধৰো।

গতিকে ৰাইজৰ ওচৰত আমাৰ গোহাৰি এয়ে যে সুলভ মূল্যত লোৱাৰ বাবে আমাৰ লগত তৎপৰ যোগাযোগ ৰাখক। পৰিক্ষা প্ৰাৰ্থনীয় ॥

**প্ৰোঃ শ্ৰীপ্ৰমেশ চন্দ্ৰ কলিতা**

**With best compliments from :**

# Hindustan Paper Corporation Ltd.

( A GOVERNMENT OF INDIA ENTERPRISE )

**NAGAON PARER MILL**

JAGIROAD-782410 :: Dist. NAGAON, ASSAM

**MATTER FOR PUBLICATION**

"Light is being taken to the villages of Assam—we were first to show them the 'PRESTRESSED CONCRETE' Way".

## TRUSSES & TOWER (P) LTD.

**Amingaon, GuWahati-781031**

Dial : 88327 :: Gram : TRUST

Engineers & Designers, Manufacturer of Prestressed Concrete Products & Steel Structures.

*With best compliments from :*

## North Eastern Cables & Conductors Pvt. Ltd.

Registered Office :

A. T. ROAD, JORHAT-785001 ( ASSAM )

Phone : 21242, 21133 Gram : NECCON

Branch Office : TULSIBALA ROAD, ULUBARI, GUWAHATI-781007

Phone : 31172

Works : INDUSTRIAL ESTATE CINNAMARA JORHAT

*With best compliments from :*

# Jachab's Engineering

( A Unit of Engineering Works )

Manufacturer of Gate-Grill, Cross-Arms, Pole-Clamp, Brackets, Tubelar Truss, Collapsible Door, Water Tanks, D. B. Mainswitch, Panel Board & Other El-Mech Engg. Jobs.

**Japorigog, Dispur, Guwahati-6**




যোৱা ৬/৪/৮৬ তাৰিখে কাৰ্য্যবাহী অভিযন্তা ( টি, এণ্ড, টি ) নগাঁও শংকৰ নগৰ, ১৩২ কেং ভিং উং-ডাঃহানৰ পৰা চিমেণ্ট ট্ৰাকেৰে চুৰি কৰি নিয়াৰ কটো।